# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFFRENCE,
( NOT FOR ISSUE )

READING ONLY INS.DE LIBRARY,

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME—I

No. 41

DATED THE 31ST MAY, 1989

Price Rs...........

REFERENCE,
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

# CONTENTS

## BUDGET SESSION

Volume I No 41

Dated, the 31st. May, 1989

| | | Page |
|---|---|---|
| 1, | Questions & Answers | 1 |
| 2. | Voting on Demands for grants | 17 |
| 3. | Obituary Reference | 69 |
| 4. | Adjournment | 70 |
| 5. | Annexure, I, II, III | 71—78 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday May 31 1989

The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS & ANSWERS

( To Which oral answers were given )
( Starred question No. 808, was disallowed )

( Starred question No. 809 was not Called for. However written replies deemed to have been laid on the table as follows )

Re : Khutamari Check Post Building.

Shri Seikh Saman Ali asked :
* 809. Will the Minister of Forest be Pleased to State :

(a) The total expenditure incurred against Khutamari (Paglatek) Check post Building ?

(b) Whether tender was called or departmentally done ?

(c) If tender, was Called then to whom it was Settled ?

(d) If not muster roll Labours engaged by the Department for the construction of the building may be furnished ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩, ১৫, ৮৮২.৫১ টকা।

(খ) বিভাগীয় ভাবে কৰা হৈছিল।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰয়োজন অনুসৰি কাঠ মিস্ত্ৰী আৰু যোগালী, ৰাজমিস্ত্ৰী, আৰু যোগালী, ৰং দিয়া লোক, সাধাৰণ বনুৱা আদি কামত লগোৱা হৈছিল।

বিষয় : নগাওঁ জিলাত সামাজিক বনানীকৰণ

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

* ৮১০। মাননীয় বনবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ নগাওঁ জিলাত সামাজিক বনানীকৰণ বিভাগে কিমান পৰিমানৰ মাটিত সামাজিক বনানীকৰণ কৰিলে ?

খ) সামাজিক বনানীকৰণ কৰা কিমান পৰিমানৰ মাটি উক্ত দুয়ো বছৰৰ বানপানীয়ে ক্ষতিগ্ৰস্ত কৰিলে ?

(গ) 'খ' প্ৰশ্নৰ সন্দৰ্ভত নগাওঁ জিলাৰ উপায়ুক্তই কিবা তদন্ত কৰাটো চৰকাৰৰ অৱগত নে ?

(ঘ) ওপৰত উল্লেখ কৰা সময়ত মাজপাঠৰী হাইস্কুলত সামাজিক বনানীকৰণ কৰা হৈছিল নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বনমন্ত্ৰী ) য়ে উত্তৰ দিছে :

| | চন | খণ্ড বাগান ( হেক্টৰত ) | পথৰ কাষৰীয়া বাগান ( কি: মি: ত ) |
|---|---|---|---|
| (ক) | ১৯৮৬-৮৭ | ৪০৩ হে : | ১১'০৯ কি: মি: |
| | ১৯৮৭-৮৮ | ৬৬৮ হে : | ১৯'০০ কি: মি: |
| (খ) | ১৯৮৬ ৮৭ | ৫৫৫ হে : | ১৫'৫০ কি: মি: |
| | ১৯৮৭-৮৮ | ১৪৮৪ হে : | ১৭'৮২ কি: মি: |

(গ) নগাওঁ জিলাৰ উপায়ুক্তই বানপানীত হোৱা ক্ষতি সম্পৰ্কে নগাওঁ সামাজিক বনানীকৰণ সংমণ্ডল প্ৰাধিকাৰীৰ পৰা প্ৰতিবেদন বিচাৰিছিল আৰু তদনুসাৰে প্ৰতিবেদন দিয়া হৈছিল।

(ঘ) হোৱা নাই।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : অধ্যক্ষ মহোদয়, সামাজিক বনানীকৰণৰ ক্ষেত্ৰত ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত কিমান মাটিত সামাজিক বনানীকৰণ কৰা হ'ল আৰু তাৰ পিচত বানপানীত কিমান ক্ষতি হল সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাইছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব পাৰো নে ?

যে যিহেতু যিবিলাক ঠাইত সহজে বানপানী হৈ এই বনানীকৰণত ক্ষতি কৰে তেনে ঠাইবোৰ বাদ দি এই বনানীকৰণৰ কাম আৰম্ভ কৰিব পাৰি নেকি? দ্বিতীয়তে উপায়ুক্তই যি তদন্ত কৰিছিল সেই তদন্ত কিহৰ ওপৰত ভিত্তি কৰি তদন্ত কৰা হৈছিল সেই বিষয়ে জনাবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ পৰা অসমত যথেষ্ট পৰিমাণে বানপানী হয়, তাৰ আগতে ইয়াত তেনেকুৱা বানপানী হোৱা নাছিল। সেইহিচাবে আগৰ বানপানী বোৰৰ ওপৰত ভিত্তি কৰি যিবোৰ ঠাই বাচনি কৰা হৈছিল তেনে ঠাইতে এই বনানীকৰণৰ কাম হাতত লোৱা হৈছিল। কিন্তু ১৯৮৬ চনৰ পিচৰ বানপানী কেইটাই এই ক্ষেত্ৰত যথেষ্ট ক্ষতি সাধন কৰিছে। সেই কাৰণে এতিয়া এই ক্ষেত্ৰত যি ধৰণে পৰামৰ্শ দিয়া হৈছে সেই ধৰণে আমি কাৰ্য্যত ৰূপায়িত কৰাৰ কাৰণে চেষ্টা কৰিম। দ্বিতীয় প্ৰশ্নৰ উত্তৰত কওঁ যে বানপানীত সামাজিক বনানীকৰণৰ ক্ষেত্ৰত কিমান ক্ষয় ক্ষতি হ'ল সেই বিষয়ে উপায়ুক্তৰ দ্বাৰা তদন্ত কৰা হৈছিল আৰু সেইমতে তেখেতে এটা প্ৰতিবেদন দাখিল কৰিছে।

বিষয়: ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থ দলং।

শ্ৰীপদ্মনাথ কৈৱীয়ে সুধিছে:

* ৮১১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত লক্ষীমপুৰ আৰু ডিব্ৰুগড় জিলাৰ মাজত চতুৰ্থখন দলঙৰ জৰীপৰ কাম হোৱা কথাটো সত্য নে?

(খ) যদি সত্য হয় ইয়াৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব? কিমান টকা ব্যয় হব দৈৰ্ঘ্য কিমান হ'ব আৰু সম্পূৰ্ণ কেতিয়া হ'ব?

(গ) দলংখন গাড়ী আৰু ৰেল চলিব পৰা দুখলপীয়া হ'ব নেকি?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) সত্য।

(খ) বৰ্ত্তমান কাম আৰম্ভ হোৱাৰ আশা নাই।

(গ) প্ৰতিবেদন মৰ্ম্মে প্ৰস্তাৱিত দলংখন দুখলপীয়া।

শ্ৰীপদ্মনাথ কৈৱী: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পাৰিলো যে এই দলং খনৰ জৰীপৰ কাম ইতিমধ্যে হৈ গৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰো যে এই দলং খনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এৰ, ই, চি, আৰু এম, ও, টিয়ে এই দলংখনৰ ক্ষেত্ৰত পুঞ্জিৰ অভাৱৰ কথা কৈছে। অৱশ্যে এই দলংখন তেওঁলোকে ৰিজেক্ট কৰা নাই। ইতিমধ্যে লোহিত খাবলুৰ কাৰণে ১২ কোটি টকা, ৰাণী ফেৰীৰ কাৰণে ৪,৮০ কোটি টকা আৰু বালেশ্বৰৰ কাৰণে ২ কোটি টকা দিছে। কিন্তু এইদলংখনৰ কাম কেতিয়া আৰম্ভ হ'ব সেই বিষয়ে নিশ্চিত হ'ব পৰা নাই।

শ্ৰীচিলভিউচ কন্দপান : অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থখন দলং নিৰ্ম্মাণ কৰা ক্ষেত্ৰত অসম চৰকাৰৰ লগতে এন, ই, চি বো টকাৰ অভাৱৰ পৰিপ্ৰেক্ষিতত কাম কৰিব পৰা হোৱা নাই বুলি জনাইছে। কিন্তু এই দলংখন এন, ই, চি বা কেন্দ্ৰীয় চৰকাৰক টল ব্ৰিজ হিচাবে নিৰ্ম্মাণ কৰাৰ কাৰণে অনুৰোধ কৰি প্ৰস্তাৱ দিব নোৱাৰি নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : টল ব্ৰিজ হিচাবেও কৰিব খুজিলে বোধকৰো কেন্দ্ৰীয় চৰকাৰে মান্তি নহ'ব। কিয়নো কলিয়া ভোমোৰা দলঙৰ ক্ষেত্ৰতো যি শতকৰা $12\frac{1}{2}$ কথা গুলাইছিল সেইখিনি ৰাষ্ট্ৰীয় পথত খৰচ কৰিবৰ কাৰণে কোৱাত সেইমতে আমি মান্তি হ'ব নোৱাৰিলো। কাৰণ সেইখিনিয়ে ৰাষ্ট্ৰীয় পথৰ কাৰণে যথেষ্ট নহয়। গতিকে এইটো ক্ষেত্ৰতো তেওঁলোকৰ লাভ নহ'লে যে ইয়াত মান্তি হ'ব সেইটো মনে নধৰে।

শ্ৰীচিলভিউচ কন্দপান : অধ্যক্ষ মহোদয়, এই বিষয়ে এটা প্ৰস্তাৱ দি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীঅতুল বৰা : (মন্ত্ৰী) : এই সংক্ৰান্তত অৱশ্যে এখন চিঠি দিব পৰা যায়।

বিষয় : ৰেল বিভাগত স্লীপাৰ যোগান।

শ্ৰীহেমেন দাসে সুধিছে :

* ৮১২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫, ১৯৮৬, ১৯৮৭ চনত বন বিভাগে ৰেল বিভাগক কিমান স্লীপাৰৰ যোগান ধৰিছে।

(খ) ১-৩-৮৬ তাৰিখৰ পৰা গছ কটা বন্ধ কৰাৰ পিচতো ৰেল বিভাগক স্লীপাৰ যোগান ধৰিছে নেকি ?

(গ) যদি ধৰিছে, ইয়াৰ বাবে গছ ক'ত পাইছে ?

(ঘ) ওপৰত উল্লেখ কৰা বছৰ সমূহত যোগান দিয়া সকলো স্লীপাৰ ৰেল বিভাগে গ্ৰহণ কৰিছেনে ?

(ঙ) ৰেল বিভাগে বাতিল কৰা স্লীপাৰৰ টকা যোগান দাতাৰ পৰা আদায় কৰা হয়নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বনবিভাগে ৰেল বিভাগক যোগান ধৰা স্লীপাৰৰ পৰিমাণ :-

১৯৮৫-৮৬

| | |
|---|---|
| চিৰ সেউজীয়া বিজি | ১,৪৭.৫৪৬ টা |
| ,, ,, এমজি | ২.৪৮-৮৬০ টা |
| শাল বিজি | ৭৭,১০৩ টা |
| ,, এমজি | ৮৬,০০০ টা |
| এনজি | ৫৬৩১ টা |
| ,, বিশেষ | ৬৯১'০০ ঘঃ মিঃ |
| ,, ব্লক | ২৪৮২ টা |

১৯৮৬-৮৭ চন

| | |
|---|---|
| চিঃ লে : বিজি | ১,৮৭, ০০০ টা |
| ,, ,, এমজি | ১,৭৫.০০০ টা |
| শাল বিজি | ১২,০০০ টা |
| ,, এমজি | ২৬.০০০ টা |
| ,, এনজি | ১,০০০ টা |
| ,, বিশেষ | ১৬,৮৭৭ টা |

১৯৮৭-৮৮ চন

| | |
|---|---|
| চিঃ লেঃ বিজি | ৫৯,৪৮০) টা |
| এমজি | ৯,৬০০ টা |
| শাল বিজি | ১১,৩৯১ টা |
| ,, এমজি | ১৩,৮৭৬ টা |
| ,, বিশেষ | ১০০২'৫ ঘঃ মিঃ |

(খ) হয়, যোগান ধৰা হৈছে।

(গ) অসমৰ কাঠ ব্যৱসায়ী সকলে অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচল, মেঘালয়, নগালেণ্ড আদিৰ পৰা কাঠ সংগ্ৰহ কৰে। অসমৰ স্বায়ত্ত

শাসিত পাৰ্ব্বত্য জিলা দুখনত তাৰ জিলা পৰিষদে গছ কটাত বাধা আৰোপ কৰা নাই। গতিকে সেই দুখন জিলাৰ পৰাও যথেষ্ট পৰিমানৰ চিৰ সেউজীয়া স্লীপাৰৰ উপযোগী কাঠ পোৱা হয়। তদুপৰি অসমৰ হাবিৰ গাওঁ ধুমুহা বতাহত খহনীয়াত উঘালি পৰা, মৰা গছ আদিৰ পৰা কিছু কাঠ পোৱা যায়।

(ঘ) সকলো শ্লীপাৰ গ্ৰহণ কৰা নাই কিছুমান যোগান ধৰা শ্লীপাৰৰ বিপৰীতে আপত্তি তুলিছে। এই ক্ষেত্ৰত নিয়মমতে যুটীয়া পৰিদৰ্শন আদি কৰি থকা হৈছে।

(ঙ) ওপৰত কোৱাৰ দৰে যুটীয়া পৰিদৰ্শন কৰাৰ পিচত যদি ৰেল বিভাগে কোনো স্লীপাৰ নাকচ কৰে তেতিয়া নাকচ হোৱা স্লীপাৰৰ মুল্য যোগানকাৰীৰ পৰা আদায় কৰা হয়।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই দুটা পৰিপুৰক প্ৰশ্ন সুধিম। যিবিলাক মানুহক শ্লীপাৰ যোগানৰ অনুমতি দিয়া হৈছিল তেওঁলোকে সেই শ্লীপাৰ যে মেঘালয়, অৰুনাচল, নগালেণ্ড কাৰ্বি আংলং বা নৰ্থ কাছাৰ পাহাৰৰ পৰা কাঠ আনিছে তাৰ কিবা প্ৰমান আছেনে কি?

দ্বিতীয় প্ৰশ্ন হৈছে (ঙ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে যুটীয়া পৰিদৰ্শন কৰাৰ পাছত বাতিলৰ সংখ্যা নিৰ্ণয় কৰা হব। ১৯৮৭ চনতে শ্লীপাৰ যোগান ধৰিলে এতিয়া ১৯৮৯ চন পালেহি। এতিয়াও যুটিয়া পৰিদৰ্শনৰ কাম শেষ হোৱা নাই। শ্লীপাৰবিলাক পচি যোৱাৰ পিছত পৰিদৰ্শন কৰিব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : কাঠ অনাৰ ক্ষেত্ৰত তেওঁলোকে অৰ্থাত যোগানকাৰীয়ে ক'ৰ পৰা কাঠ আনে সেইটোৰ কাৰণে আমি কোনো ধৰণৰ নিৰ্দ্দেশ দিব নালাগে। তেওঁলোকে বিভিন্ন ঠাইৰ পৰা কাঠ আনিব পাৰে, তেওঁলোকে মালেচিয়াৰ পৰাও আনিব পাৰে, তাত বাধা নাই। সেই হিচাবে ওচৰতে মেঘালয়া, অৰুনাচল, নগালেণ্ড কাৰ্বি আংলংৰ পৰা কাঠ আনে। তেওঁলোকে এতাৰ গ্ৰিন টিম্বাৰ আনে। স্বায়ত্ব শাসিত জিলা দুখনত এতিয়াও কাঠ কটা বন্ধ কৰা নাই। তেওঁলোকৰ পৰাও আনে। তাৰ কাৰণে কোনো প্ৰমান আমাৰ হাতত নাই। তেখেতে যিটো দ্বিতীয় প্ৰশ্ন সুধিছে যুটীয়া পৰিদৰ্শনৰ ক্ষেত্ৰত সেইটো হ'ল যুটিয়া পৰিদৰ্শন কৰা

হয় যেতিয়া ৰেলয়ে কিছুমান যোগান ধৰা শ্লিপাৰ ৰিজেক্ট কৰে। তেতিয়া আম'ৰ চৰকাৰৰ বিষয়া আৰু ৰেলৱেৰ বিষয়াৰ মাজত যুটিয়া পৰিদৰ্শন চলে। তেনে পৰিদৰ্শন এতিয়াও চলি আছে। আনকি আমাৰ বিষয়া ট্ৰিবান্দ্ৰম পৰ্যন্ত গৈছে। কাৰণ তাত ৰেলৱে শ্লিপাৰ দিছে। অৱশ্যে, কিছু পলম হৈছে। কিন্তু ৰেলৱে আপত্তি নকৰিলে আমি যুটীয়া পৰিদৰ্শন কৰা প্ৰশ্ন নুঠে।

Shri A.F.G. Osmani : Sir, would the Minister examine his position with reference to the standing departmental instructions in view of the statement he has made in the House. To my knowledge, at the time of allotment of sleepers the parties concerned, as per departmental circular issued-most probably in 1982, are required to state the source from which they would procure the timber.

Secondly, would he also examine whether it is not in the Government instructions that the lessees are required to supply a certain number of sleepers where coups are allotted by tenders?

Shri Surendra Nath Medhi (Minister) : Sir, I will answer the second question first. Coups are not sold now. As far as I know, that has been absolutely stopped by the previous Government in 1981. Coups and Mahals are departmentally operated-trees are cut and felled and the lots are sold by calling tenders. Therefore, the second question does not arise at all in my humble submission.

Regarding the allotment of sleepers I would like to inform the Hon'ble House that the norms have now been completely changed. In December last we have constituted a three-member Committee consisting of 2 Conservators and one F.A.O. who would select applicants for supply of timbers. Previously that was not done. This is for the information of the House.

## Re : Occupation By Agricultural Labour

Shri Sheikh Abdul Hamid asked :

* 813. Will the Minister Labour be pleased to State :

(a) If the Government aware of the fact that Mandia Development Block area under Barpeta Dist. is

inhabited by a large number of Agricultural Labour ?
(b) Will the Government consider for opening of an Agricultural Labour Inspector Office at Mandi ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বৰ্তমান তেনে কোনো প্ৰস্তাৱ প্ৰয়োজনীয় পুঁজিৰ অভাৱত লোৱা হোৱা নাই।

শেখ আব্দুল হামিদ : মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব বিচাৰিছো মণ্ডিয়া ব্লকত বিভিন্নধৰণৰ শতকৰা ৮০ ভাগ শ্ৰমিক আছে। গতিকে তেওঁলোকৰ দৈনিক মজুৰী আদি বা দা-দৰ্মহাৰ ক্ষেত্ৰত চোৱাচিতা কৰিবলৈ এটা কৃষি বনুৱা পৰিদৰ্শকৰ কাৰ্য্যালয় খোলাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীবাকী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সপ্তম পৰিকল্পনাত অসমৰ ১৩৫ টা ব্লকৰ ভিতৰত মাত্ৰ ৩৮টা ব্লকত আমি মঞ্জুৰী পাইছিলো আৰু সেই মৰ্ম্মে বৰপেটা জিলাৰ ইতিমধ্যে দুটা ব্লকত ৰূপসী আৰু ভৱানীপুৰ ব্লকত খোলা হৈছে। অষ্টম পৰিকল্পনাৰ মঞ্জুৰী পালে এই বিষয়ে নিশ্চয় চিন্তা কৰি চোৱা হব।

(Starred Question No 814 was not Called for. However written replies deemed to have been laid on the table as follows)

বিষয় : ভূৰাগাওঁ আৰু লাহৰিঘাটত কৃষি মহকুমা স্থাপন।

শ্ৰীআব্দুল জলিলে সুধিছে:

*৮১৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ ভিতৰত নগাওঁ জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডই আটাইতকৈ অধিক পৰিমানৰ মৰাপাট আৰু ৰবি শস্য উৎপাদনত শীৰ্ষস্থান অধিকাৰ কৰি থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে কৃষি উৎপাদনৰ ভিত্তিত ভূৰাগাওঁ বা লাহৰিঘাটক কৃষি মহকুমা ঘোষনা কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদেৱকুমাৰ বৰা (কৃষিমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) উন্নয়ন খণ্ডটোত অধিক পৰিমানৰ ৰবি শস্য ও মৰাপাট উৎপাদন কৰা

(ঘ) বৰ্তমানে স্তেমে কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

বিষয় : মুখ্যমন্ত্ৰীৰ ভিজিলেন্স সেলের তদন্ত।

শ্ৰীৰামেন্দ্ৰ দেই জিজ্ঞাছা কৰিয়াছেন :

* ৮১৫। মাননীয় বনবিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেনকি :

(ক) মুখ্যমন্ত্ৰীর ভিজিলেন্স সেল বন বিভাগের কিছু সংখ্যক পদস্থ কৰ্ম্মচাৰীর বিরুদ্ধে তদন্ত করেছিল কি ?

(খ) কোন কোন কৰ্ম্মচারীর বিরুদ্ধে সেল করেছেন ?

(পদবী সহ নাম ও কৰ্ম্মস্থলের ঠিকনা দিতে হ'বে)

(গ) তদন্তের রিপোর্ট অনুযায়ী সরকার কোন ব্যবস্থা গ্ৰহণ করেছেন কি ?

(ঘ) যদি করে থাকেন কি ব্যবস্থা গ্ৰহণ করেছেন ?

(ঙ) যদি না করে থাকেন, তার কারণ কি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) যি সকল কৰ্ম্মচাৰীৰ বিৰুদ্ধে মুখ্য মন্ত্ৰীৰ বিশেষ তদাৰক শাখাই তদন্ত কৰিছিল, তেওঁলোকৰ নাম, পদবি আদিপাঠি দিয়া হ'ল।

( See the list at Annexure—I)

(গ) হয়, কৰা হৈছে।

(ঘ) উক্ত কৰ্ম্মচাৰী সকলৰ বিভিন্ন জনৰ বিৰুদ্ধে বিভাগীয় গোচৰ ফৌজদাৰী মোকদ্দমা, বদলি, নিলম্বিত, সতৰ্কীকৰণ তথা চৰকাৰী অসন্তুষ্টি প্ৰকাশ কৰা হৈছে।

(ঙ) মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰক শাখাৰ পৰামৰ্শ অনুযায়ী কেইজনমান বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱা বিষয়টো বিচাৰাধীন হৈয়ে আছে।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত বনবিভাগৰ লিগেল ৰিমেমব্ৰেঞ্চৰ মতামত লৈছিল নেকি ? লিগেল ৰিমেমেব্ৰেঞ্চ আৰু মুখ্য সচিবৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি মুখ্যমন্ত্ৰীয়ে কি ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, লিগেল ৰিমেমব্ৰেঞ্চৰ মতামত লোৱা হৈছিল। তেওঁ লোকৰ মতামত মতে বিভাগীয় গোচৰ নাইবা ক্ৰিমিনেল কেচ কৰিব পাৰে। এই দুয়োটাৰ এটা কৰিব পাৰে। সেই হিচাবে ইতিমধ্যে কিছুমানৰ বিৰুদ্ধে বিভাগীয় গোচৰ তৈয়াৰ কৰি তেওঁলোকৰ বিৰুদ্ধে প্ৰচিডিং ড্ৰ কৰা হৈছে। আৰু

কিছুমানৰ বিৰুদ্ধে ক্ৰিমিনেল কেচ তৰাৰ ব্যৱস্থা কৰা হৈছে। যিবিলাকৰ বিৰুদ্ধে তেনে কোনো অভিযোগ নাই তেওঁলোকক চেনচৰচিপ ডিচপ্লিজীৰ এক্সপ্ৰেচত নিষ্পত্তি কৰিছে। মাননীয় সদস্য গৰাকীয়ে দ্বিতীয় প্ৰশ্ন কৰিছে, লিগেল ৰিমেমব্ৰেঞ্চ আৰু মুখ্য সচিবে দিয়া মন্তব্যৰ ওপৰত মুখ্য মন্ত্ৰীয়ে কিবা ব্যৱস্থা লৈছে নেকি? এই ক্ষেত্ৰত মই ক'ব খুজিছো যে যিহেতুকে বহু সংখ্যক বিষয়া কৰ্ম্মচাৰীৰ বিৰুদ্ধে অভিযোগ অহা হৈছিল সেই কাৰণে, মুখ্যমন্ত্ৰীয়ে বিশেষ তদাৰক শাখা এটা কৰি দিয়ে। কাৰ বিৰুদ্ধে কিমান অভিযোগ আছে তেওঁলোকে স্কুটিনী কৰিব। এই স্কুটিনী শাখাটো আয়ুক্ত এজনক মুৰব্বী হিচাবে লৈ হাই পাৱাৰ কমিটি এখন গঠন কৰি দিয়া হৈছে। এই কমিটিৰ প্ৰতিবেদন এতিয়াও আমি পোৱা নাই।

শ্ৰীহেমেন দাস : পলিটিকেল এফেয়াৰ কমিটীয়ে লিগেল ৰিমেমব্ৰেঞ্চৰ পৰামৰ্শ গ্ৰহণ কৰা বুলি শুনিছিলো। পলিটিকেল এফেয়াৰ কমিটিৰ প্ৰতিবেদন মুখ্য সচিবক ১০।১১।৮৮ তাৰিখে পৰীক্ষা কৰিবলৈ দিয়া হৈছিল। যিখন কমিটীৰ কথা বনবিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে, সেই কমিটীখন কেতিয়া গঠন কৰা হৈছিল।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : এই কমিটিখন যোৱা ১৯৮৮ চনৰ মাজ ভাগত কৰি দিয়া হৈছিল। ঠিক তাৰিখটো ক'ব নোৱাৰিম।

বিষয় : হাউলীত গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলা।

শ্ৰীকুমাৰ দীপক দাসে সুধিছে :

*৮১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) হাউলীত গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলা স্থাপন কৰা বিষয়টো কি পৰ্য্যায়ত আছে।

(খ) চলিত বিত্তীয় বছৰত এই বঙলা নিৰ্ম্মাণৰ কাম সমাপ্ত কৰিবনেকি?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হাউলীত পৰিদৰ্শন বঙলা নিৰ্ম্মাণ কৰাৰ কোনো প্ৰস্তাৱ নাই। অৱশ্যে এটা জিৰণি ঘৰ কৰিবৰ কাৰণে ৪ লাখ টকাৰ প্ৰশাসনীয় অনুমোদন হৈছে।

(খ) পৰিদৰ্শন বঙলা নিৰ্ম্মাণৰ প্ৰশ্ন নাই।

বিষয় : তালগুৰিৰ বাপু গাওঁ পথ।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :

* ৮১৭ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তালগুৰি বাপুগাওঁ পথটোত ১৯৮৭ চনৰ পৰা আজিলৈকে যান-বাহন চলাচল বন্ধ হৈ থকা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে উক্ত ৰাস্তাটো বন্ধ হৈ থকাৰ কাৰণ কি?

(গ) ভৱিষ্যতে যাতে উক্ত ৰাস্তাটো বন্ধ নহয় চৰকাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবনেকি?

শ্ৰীঅতুল বৰা (গৰকাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) হয়, চৰকাৰে জানে।

(খ) ১৯৮৭ চনৰ বানপানীত দলঙৰ বিস্তৰ ক্ষতি সাধন আৰু পুৰ্ণাঙ্গ মেৰামতিৰ পিছত ১৯৮৮ চনত তালগুৰি ফালৰ দলঙৰ মাঠা ছিঙি যোৱা হেতুকে ৰাস্তা বন্ধ হৈ আছে।

(গ) দলং খনৰ সম্প্ৰসাৰণৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

শ্ৰীফণী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭ চনৰ পৰা তালগুৰি ফালৰ দলঙৰ মাঠা ছিঙি যোৱাৰ কাৰণে ৰাস্তা বন্ধ হৈ আছে যিহেতুকে প্ৰতি বছৰে বান পানীত এই দলঙখন পানীয়ে উটুৱাই লৈ যায় তাৰ এটা বিকল্প ব্যৱস্থা চৰকাৰে লবনেকি?

শ্ৰীঅতুল চন্দ্ৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, দলংখনৰ মুৰ দুটা খহাই লৈ যোৱা কাৰণে দলং খন অচল হৈ আছে। ইতিমধ্যে দুটা কাঠৰ খুটাৰ ব্যৱস্থা কৰা হৈছে।

( Started Question No. 818 was not Called for. However written replies deemed to have been laid on the Table as follows )

বিষয় : ডিগবৈ বন সংমণ্ডলত হাতী খেদা-মেলা চিকাৰ মহল।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ৮১৮। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিগবৈ বন সংমণ্ডলৰ অধীনত থাৰ্দ অফ ৭৯-৮০ নম্বৰ হাতী খেদা-মেলা চিকাৰ মহলটো কোন কোন ব্যক্তিক দিয়া হৈছিল? (নাম ঠিকনা সহ দিব)

(খ) এই মহল যোগে মুঠ কেইটা হাতী ধৰা হৈছিল আৰু কোন কোন ব্যক্তিক বিক্ৰী কৰা হৈছিল আৰু প্ৰতিটোৰ দাম কিমান আছিল?

(গ) উক্ত মহল যোগে ধৰা ৩ আৰু ৪ নম্বৰ (কেপচাৰ নং ৩ এণ্ড ৪) বন ঘৰচীয়া

হাতী দুজনী বন বিভাগে কোন তাৰিখে কিমান সময়ত অ'ৰু কোন ঠাইত চমজি লৈছিল ?

(ঘ) উক্ত হাতী দুজনীক কোন ব্যক্তিৰ যোগে প্ৰশিক্ষণ দিয়া হৈছিল, কিমান দিন প্ৰশিক্ষণ দিয়া হৈছিল আৰু প্ৰশিক্ষণ দিওঁতে কিমান খৰচ হৈছিল ? (বিতং ভাৱে দিব, (যেনে, বুট মাহ, কল গছ, ৰচি ফান্দি ডাক্তৰ ইত্যাদি)

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিগবৈ বন সংমণ্ডলৰ অধীনত ৭৯-৮০ চনৰ ৩ নম্বৰ হাতী খেদা-মেলা চিকাৰ মহলটো শ্ৰীমজিত মৰাণ, সম্পাদক মেচাৰ্চ পুৰ্ব্বাঞ্চল সমবায় সমিতিক দিয়া হৈছিল।

তেখেতৰ ঠিকনা : গাওঁ মাকুম, পোঃ আঃ মাকুম, জিলা — ডিব্ৰুগড় (অসম)

(খ) উক্ত মহলটোত মুঠ ৯ টা হাতী ধৰা হৈছিল। এই হাতী কেইটা কোন কোন ব্যক্তিক বিক্ৰী কৰা হৈছিল আৰু প্ৰতিটো হাতী কি দামত বিক্ৰী কৰা হৈছিল সেই কথা মহলদাৰে জনেহে জানে।

(গ) উক্ত মহল যোগে ধৰা তিনি আৰু চাৰি নং (Capture No. 3 & 4) হাতী দুজনীক ইং ১-৪-৮০ তাৰিখে লক্ষীপথাৰ আঞ্চলিক বন বিষয়াই চমজি লয়। আৰু দুয়োজনী হাতীকে নাজিৰাটিং খণ্ড বন বিষয়াৰ তত্বাৱধানত ৰখা হয়।

(ঘ) উক্ত হাতী দুজনীক শ্ৰীমজিত চন্দ্ৰ মৰাণ আৰু লগৰীয়া শ্ৰীজিতেন্দ্ৰ নাথ গগৈ, মেচাৰ্চ পুৰ্ব্বাঞ্চল সমবায় সমিতিৰ যোগেদি প্ৰশিক্ষণ দিয়া হৈছিল। প্ৰশিক্ষণৰ মুঠ সময় আছিল (১০-১-৮০ তাৰিখৰ পৰা ১৭-৩-৮০ তাৰিখলৈ) ৬৭ (সাতষষ্ঠী) দিন। প্ৰশিক্ষণত দুয়োজনী হাতীৰ বাবে মুঠ খৰচ হৈছিল (৩ নং ১২৭৩৬-০০ টকা— ৪ নং ১২৩৪৪-০০ টকা) ২৫০৮০-০০ টকা (প্ৰশিক্ষণত হোৱা বিতং খৰচৰ হিচাবৰ প্ৰতিলিপি ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল।)

(See the Copy at Annexure II)

বিষয় : ১৯৮৯-৯০ চনত ৰাস্তা ব্লেকটপিং

শ্ৰীগোপী নাথ দাসে সুধিছে :

*৮১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত

(১) হেকৰা নগৰবেৰা ৰাস্তা (২) বকো— হুমৰীয়া ৰাস্তা (৩) নগৰবেৰা শিৱলীতোলা ৰাস্তা (৪) শিঙৰা— হেকৰা ৰাস্তা (৫) মন্দিৰা—ৰিহলামাৰী ৰাস্তা

কেইটাৰ কিছু অংশ ১৯৮৯ ৯০ চনৰ বিত্তীয় বছৰত ব্লেকটপিং কৰাৰ বাবে চৰকাৰে মঞ্জুৰী দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

পথৰ গুৰুত্ব আৰু পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে বিবেচনা কৰিব।

শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত গুৰুত্ব বুজি পথ কেইটাৰ ব্যৱস্থা লোৱা হ'ব বুলি কৈছে। লগতে পুঁজিৰ ওপৰতো নিৰ্ভৰ আছে বুলি কৈছে। কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই পথকেইটাৰ গুৰুত্বৰ অতি বেছি আৰু বিত্তীয় বছৰ আৰম্ভ হৈছেহে মাত্ৰ; সতিকে এই ক্ষেত্ৰত কিবা ব্যৱস্থা ল'বনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, কাম বিলাক চলি আছে। ১) হে কৰা নগৰবেৰা ৰাস্তা ২) বকো ছমনীয়া ৰাষ্টা ৩) নগৰবেৰা শিমলীতোলা ৰাস্তা । ৪) শিঙৰা হেকৰা ৰাস্তা ৫) মন্দিৰা বিছলা মাৰী ৰাস্তা এইকেইটা ৰাস্তাৰ কিছু অংশ যেনে ক্ৰমান্বয়ে— ০'৫৯, ২'২০, ১,৪০,০'২৫ কিলোমিটাৰ ৰাস্তাৰ কাম চলি আছে।

বিষয় : V. L E. W পদ পুৰণ কৰা বাবে।

শ্ৰীউৎপল দত্তই সুধিছে :

* ৮২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ অন্যান্য জিলাত V.L.E.W পদ বিলাক বিভাগীয় ভাবে পুৰণ কৰা স্বত্বেও লক্ষীমপুৰ জিলাত আজিলৈকে কিয় পুৰণ কৰা নহ'ল ?

(খ) বাকী জিলা সমূহত নিয়োগ কৰা উক্তৰ V. L. E. W. সকলৰ প্ৰশিক্ষণ কোন তাৰিখে আৰম্ভ হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা [ কৃষি মন্ত্ৰী]য়ে উত্তৰ দিছে :

(ক) লক্ষীমপুৰ জিলাৰ V.L.E.W. প্ৰশিক্ষণৰ প্ৰাৰ্থীৰ বাচনি চলি থাকোতেই এই ক্ষেত্ৰত বাইজৰ পৰা আপত্তি পোৱা হয় আৰু উক্ত বাচনি শুদ্ধ আৰু আসোঁৱাহ মুক্ত কৰিবৰ বাবে জিলা উপায়ুক্তক সভাপতি হিচাবে লৈ এখন বাচনী কমিটি পাতি দিয়া হৈছে। বৰ্ত্তমান এই কমিটিয়ে কাম কৰি আছে।

(খ) দৰং, লক্ষীমপুৰ, নগাওঁ, ধুবুৰী, উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাৰ বাহিৰে বাকী জিলা সমূহৰ নিৰ্ব্বাচিত প্ৰাৰ্থীৰ প্ৰথম দলটোৱে ইং ১৫।৩৮৯ তাৰিখৰ পৰা প্ৰশিক্ষণ পাঠ্যক্ৰমত যোগদান কৰিছে।

শ্ৰীজগত হাজৰিকা : অধ্যক্ষ মহোদয়, ১৫।৩।৮৯ তাৰিখৰ পৰা যিহেতু অন্য জিলা বিলাকত পাঠ্যক্ৰমত আৰম্ভ হৈছে। সেই ক্ষেত্ৰত লক্ষীমপুৰ জিলাৰ বাচনি পৰীক্ষাকে ঠিক কৰিব পৰা হোৱা নাই কেন্দ্ৰস্থলত ভি, এল, ই, ডব্লিউৰ প্ৰশিক্ষণাৰ্থীসকল ৪।৫ মাহ পিছ পৰি যাব। এইটো কেমাহীৰ কাৰণে হোৱা নাই নে?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কৃষি ক্ষেত্ৰত গ্ৰাম সেৱকৰ প্ৰাৰ্থী বহু বেছি। তেনেস্থলত প্ৰশিক্ষণ দিয়া ব্যৱস্থা মাত্ৰ ১০৬ জনৰহে আছে। গতিকে আৰু ২টা চেন্টাৰ কৰাৰ চিন্তা কৰা হৈছে। কাৰিকুলীত পাঠ্যক্ৰম নতুনকৈ আৰম্ভ কৰিব পাৰি। তেতিয়া হ'লে অধিক প্ৰশিক্ষণাৰ্থীক প্ৰশিক্ষণ দিব পৰা যাব। প্ৰশিক্ষণ পোৱাৰ পাচত যিহেতুকে নিযুক্তি দিয়া হয়। ভালকৈ প্ৰশিক্ষণ দিব পাৰিলে কামৰ সুবিধা হয়। গতিকে বেছি সংখ্যক প্ৰাৰ্থিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। লক্ষীমপুৰৰ কামবিলাক কৰি থকা হৈছে।

শ্ৰীআব্দুল জলিল ৰাগিবী : গ্ৰাম সেৱক নিৰ্বাচন কৰি প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত সকলো জন-গোষ্ঠীৰ কথাটো ভাবি চাবনে?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : সকলো জন-গোষ্ঠীৰ কথা আমাৰ আছে। কিন্তু বেছি ভাগ গাওঁ অঞ্চলৰ কৃষিৰ লগত জন্মগত ভাৱে জড়িত থকা অঞ্চলত কনচেনট্ৰেট কৰিব লাগিব।

শ্ৰীগিৰীণ বৰুৱা : নগাওঁ জিলাৰ গ্ৰামসেৱক নিৰ্বাচন কৰি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হোৱা নাইনেকি?

শ্ৰীদেৱকুমাৰ বৰা (মন্ত্ৰী) : মই আগতেই কৈছো যে মাত্ৰ ১০৬ জনক প্ৰশিক্ষণ দিব পৰা ব্যৱস্থা আছে। সকলো জিলাৰ প্ৰশিক্ষণ দিব পৰা নাই। কিছু সংখ্যক প্ৰশিক্ষণলৈ পঠোৱা হৈছে, কাৰিকুলিত পাঠ্যক্ৰম আৰম্ভ কৰাৰ লগে লগে সকলো বিলাক জিলাৰ প্ৰশিক্ষণ আৰম্ভ কৰা হ'ব। দ্বিতীয় কেন্দ্ৰ এটাৰ কথাটো ভাবিছো। কাৰণ এক হাজাৰ গ্ৰামসেৱক নহ'লে কাম কৰাটো সম্ভৱ নহয়। সেয়ে সাময়িকভাৱে বিশেষ ব্যৱস্থা কৰিব খুজিছো।

শ্ৰীজগত হাজৰিকা : লক্ষীমপুৰ জিলাৰ উপযুক্ত তালিকা শীঘ্ৰে দিবৰ বাবে নিৰ্দেশ দিয়া হৈছে নেকি?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : তালিকা শীঘ্ৰে দাখিল কৰিবৰ বাবে নিৰ্দেশ পঠোৱা হৈছে।

বিষয় ঃ N. E. C. ৰাস্তা।

শ্ৰীতনু কোৱৰে সুধিছে :

১১০৫ মাননীয় পড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ-পূৰ্ব অসমত কিমান এন, ই, চি ৰাস্তা আছে ?

(নাম সহ জনাব)

(খ) নাজিৰা সমষ্টিত ন' এন, জি, চিৰ সহযোগত কিমান ৰাস্তা বনোৱা হ'ল আৰু কিমান বনাবলৈ লোৱা হৈছে।

শ্ৰীঅতুল বৰা (পড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) উত্তৰ পূৰ্ব অসমত উত্তৰ পূৰ্ব পৰিষদৰ পুঁজিৰ পৰা ১৪ (চৈধ্য) টা পথ উন্নয়নৰ বাবে লোৱা হৈছে।

| (সম্পূৰ্ণ হোৱা পথ) | দৈৰ্ঘ্য |
|---|---|
| (১) গোলাঘাট মেৰাপানী পথ | ৩১'৫৪ কিঃ মিঃ |
| (২) ফৰকাটিং বাইপাচ আলি | ২'৩৮১ " " |
| (৩) নাজী আমগুৰি পথ | ৫'৩২৩ " " |
| (৪) আমগুৰি মোককচাং পথ | ১২'১৮৭ " " |
| (৫) চৈখোৱা ঘাট শদিয়া চাপাখোৱা আলি | ১১'৪০ " " |
| (৬) সোণাৰি নামতলা আলি | ১০'৬৬ " " |

| উন্নয়নৰ বিভিন্ন পৰ্য্যায়ত থকা আলি | দৈৰ্ঘ্য |
|---|---|
| (১) শিমলুগুৰি নাগিনীমৰা আলি | ১৬'২৫ কিঃ মিঃ |
| (২) বিমলাপুৰ নদী লং ডিং আলি | ৯'০০ " " |
| (৩) মাৰ্ঘেৰিটা দেউমালি আলি | ১২'৫০ " " |
| (৪) লেখাপানী জয়ৰাম পুৰ | ২৪'০০ " " |
| (৫) ফিতাব বোডৰ পৰা টিং খং পথ | ১২'৯৬ " " |
| (৬) শদিয়া তেজু পথ | ১৬'৫০ " " |
| (৭) লাহোৱাল তুলিয়াজান বৰডুবি | [illegible] |
| (৮) তিনিচুকীয়া পথ | ৩৯'০০ " " |
| (৯) পকা ডাপবিৰোধ পৰা এন, টি পথ | ১৫'০০ " " |

(খ) এটা ৰাস্তাৰ কাম সম্পূৰ্ণ হৈছে। বাকী ৫টাৰ কাম চলি আছে আৰু

আৰম্ভ কৰাৰ পৰ্য্যায়ত আছে।

Re : Posting of V. L. E. w' s in Ruposi and Mandia.

Shri A. F. Golam Osmani asked :

1106. Will the Minister, Agriculture be pleased to state :

Names and address of the V. L. E, w' s Posted in Ruposi and Mandia Blocks of Barpeta District ?

( Please State their respective Places of postings Gaon panchayat wise and the dates of posting ).

Shri Deba Kumar Bora ( Minister Agriculture ) replied :

The names and addresses of the V. L. E W' S Posted in Ruposi and Mandia Development Blocks of Barpeta District with details as to the dates and Places of posting Gaonpanchayat - wise are placed on the table of the House,

( See the list at Annexure III )

বিষয় : অসম নগালেণ্ড সীমান্ত ৰাষ্টা।

শ্ৰীতনু কোঁৱৰে সুধিছে।

১১০৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম নগালেণ্ড সীমান্তৰ গেলেকীৰ পৰা নগাবামলৈ যোৱা ৰাস্তাৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হ'ল নে ?

(খ) যদি হোৱা নাই কেতিয়া সম্পূৰ্ণ কৰা হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এতিয়াও সম্পূৰ্ণ হোৱা নাই।

(খ) অজয়পুৰ বনাঞ্চলত চাক্‌মাই নদীৰ কাষৰ পৰা প্ৰায় ১২ কিঃ মিঃ পথ বন বিভাগৰ পৰা অনুমতি নোপোৱালৈকে কেতিয়া সম্পূৰ্ণ হব কোৱা টান।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই ১৫৯ নিয়ম অনুসৰি বাণিজ্যিক শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে ব্ৰীচ অৱ প্ৰিভিলেজৰ নটিছ দিছিলো।

শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, বনমন্ত্ৰী ডাঙৰীয়াই নগাইখাচ বনাঞ্চলৰ বনকটা কামৰ চুক্তিখন কোনো আদালতে খাৰিজ কৰিব নোৱাৰে বুলি দৃঢ়ভাৱে কৈছিল। বনমন্ত্ৰীয়ে সদনত কোৱাৰ পিচতেই মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে চুক্তিখন স্থগিতকৰণৰ আদেশ দিছে। গতিকে বনমন্ত্ৰী হিচাবে কৰ্তব্য চলাই যোৱাৰ অধিকাৰ আছেনেকি বিচাৰ লাগে। ইয়াৰ বাবা

গোটেই মন্ত্ৰী সভা তথা শাসকীয় দলৰ মৰ্যাদা হানি কৰিছে। বনমন্ত্ৰীয়ে পদত্যাগ কৰিব লাগে। তেখেতে গোটেই আইনৰ দিশ পৰীক্ষা নিৰীক্ষা কৰা হৈছে বুলি কৈছিল। গতিকে মন্ত্ৰী হিচাপে থকাৰ কোনো নৈতিক অধিকাৰ নাই।

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Order, order. Now voting on Demands for Grants Forestry and wild life. Hon'ble Member Shri Maziruddin Ahmed.

Shri Maziruddin Ahmed ; Mr. Speaker, Sir, yesterday I was speaking about the allotment of sleepers and to day again I am going to speak about the same. Sir, with regard to the allotment of Railway Sleepers, concerned D. F. O,s were asked to supply the same through contractors within the division previously. But, Sir now actually these sleepers allotments, are made from Gauhati by the minister. Sir, the Hon'ble C. M. Who was Forest Minister gave the allotment to one Mr. Jodhani who was a biographer of the Hon'ble Chief Minister. Sir, this is a very bad precedent and Government, should not have allotted sleepers to this person who is a biographer of the Chief Minister. If these things are allowed to continue then how the people can expect justice and fairplay from the department. This is a very sorry state of affairs.

(At this stage Hon'ble Mr. Speaker vacates the Chair & Hon'ble Mr. Dinabandhu Choudhury, Chairman, occupies the Chair.

Then, Sir, my other Submission is that Government raised the price of Sleepers in 1978-79. Though the rates have been increased, but it is yet to be paid to contractors in Goalpara.

Sir, more then ten years have passed, but the enhanced rates are yet to be paid in Goalpara. This is unfair and unjust. Then, Sir, I would like to mention that in the last year I handed over an application to the Hon'ble Chief minister. who was then in-charge of the Forest Deptt., for early payment of bills. The Hon'ble Chief Minister to whom I handed over the petition personally assured me that necessary steps would be taken for making the payment soon. But, Sir, when the payment was not made in the last year, then I put a question in the Assembly. The reply of this question was that no such petition was received by the deptt. Sir, though I personally handed over the petition to the Hon'ble Chief Minister, but the Deptt. gave this reply. This is really a very sad state of affairs. Thereafter, I took up the matter, after submitting a fresh petition to the present Hon'ble Forest Minister. Hon'ble Forest Minister passed the order for immediate payment of the bills. But, Sir, it is still pending with the Deptt.

Departmental officers are not taking steps for making the payment early. This is the position. So, sir, I would like to request the Hon'ble Minister, Forest, kindly to look in to the matter. Then, Sir from Kokrajhar side lot of timbers are smuggled to Tikrikilla in Garo Hills. These unclaimed timbers are sold in auction after Seizure by Garo Hills Forest deptt. Accordingly these timbers were sold out in auctions and the auctioners were their own men and sold at low rates. These Timbers Passed through Goalpara Divisional officer of Goalpara got the scent of it, ... ... ... ...

For sometime he stopped bringing these timbars with out any inspection but later on in the name of inspection I am sorry to state that on an arrangement of paying Rs. 5/- per cft. these timbers are allowed to come through Assam.

As regards the Social Forestry, I like to say that this is a department where trees are planted through contracts but payments are shown on master roll basis and these are prepared in the office. If the Government is pleased to take an account of the plants which have been planted under Social Forestry I think, it will come to light how many such trees have been planted and perhaps the number of trees which are shown to have been planted, will not be found. so, Sir, in this way, a huge amounts of money is being misappropriated every year. The barbed wire fencing is also not being done properly. & use of barbed wire is shown higher then actually used in the field and thus huge money is misappropriated. So, these are the things on which I would request the Minsiter in-charge of Forest to look into it. I Submit Sir, without the connivance of forest officials no one can commit illegality. It is the officers who are at the rest of all such illegal things. so, what ever illegality is there in the Forest Department of the Government of Assam for denuaing the forest it is because of the department and the officers who do not care to look after the interest of the State but they are only interested in their own affairs of earning money.

As regards the timbers, which are seized these are kept by the officers in the various depots but it is strange that these timbers are not sold in proper time and these are allowed to be kept lying in huge quantities in various depots and the reason is very difficult to understand. If the Government does not sell these timbers in auction in right time then the Government will incur huge loss and we shall be deprived of our legitimate benefits. Naturally, the rates which are offered by the tenderers are very low and there cannot be any higher tender because the

timbers in question have already been rotten or half-retton and as regards timbers which are seized in connection with cases I submit sir, these tim-bers should not be left lying in the court premises or some other places; but both the sides of these timbers can be cut about 6 inches in length with the permission of the Magistrates and the rest of the timbers so cut for the purpose can be sold at much higher price . I submit sir, the Law Minister is a very reputed lawyer and I hope he will examine my suggestion that if the both ends of the seized timbers can be cut at least 6 inches from both ends so that the rest portion can be sold immediately because now a days, cases remain pending for years and years to-gether and when these are closed there remain nothing in the timber. Moreover, when these timbers are produced before the magistrates the marks are not found because the white ants destroy these marks . So I submit sir, this matter may be taken into consideration by the Minister .

As regards Bagaikhash forests, I would like to say that this M/S . Cane Dealers is a well-known contractor of Assam State and he is very much known to every Government which comes to the power. This rim had a partner from Assam also and I think, he is dead . This firm knows how to deal with the department and wlth all his experience, he was able to get the decree in his favour and the Government was helpless in this matter. But, a few days back, the hon'ble Judges have altered their order and stayed operation of the timbers . Had the Government been very much careful in this regard, it wonld not have happened . The Government was requested to look to the matter and the Minister gave an assurance that he would examine the matter , I hope that the Minister would give a clarification on this matter while replying to the Demand .

Sir, this Governmant after coming to power decided to undertake social forestry in the char areas so as to save the char areas from erosion by river Brahamaputra, and spent a huge amount of money . The idea has totally failed and whatever money was spent was spent for nothing because no trees can be grown in the char areas as the saplings before it could reach the height of one feet the floods over top the trees and washes them away. Therefore, how is it possible to grow trees in the char areas under the social forestry programme. It is only ridiculous to make such attempt to

do plantation of trees in the char areas. It appears to me that this has been done only with a view to give harrassment to the people living in the char area who are cultivating their land for a long time past and to deprive them from the land in their occupation in the name of social forestry. Sir, I wonder when so many engineers and experts could not make any headway in protecting the soil from erosion b y Brahamaputra how then the social forestry could be successful in stopping erosion. Sir, the Government has no foresightedness in managing the affairs of the forest department and what-ever has been done has been done with an end in view of party in terest without any reference to the needs of the public at large and, as a result a large section of the people have been deprived of their benefits that can be expected from this Goverment. Sir, as regards. sleeper the Government after passing sleepers makes payment to the parties at 75% of the value of sleepers, and 25% of the value are to be paid as soon as the sleepers reach the destination or within six months, whichever is earlier. But, sir, I am sorry to say that for years payment of remaining 25% of the value even are not paid. Sir, what is the reason for this? Sir, if this is the state of affairs, how then the Government can expect the people to repose their confidence in them. what is the reason for not paying the money to the contractors. Sir, I submit that the Government should be more serious in its effort and should deal with the matter seriously. It should also see that it is not guided by the officers alone because we have the experience that whenever the file is passed to any officer that file is shelved for many days. The person involved in the matter/has to visits this office many a time to get this things done. Ultimately he finds that all his endeavour has proved fruitless because his case is nullified due to redtapism. It seems that the Government is dependent too much on officers and the administration is officers' oriented and they can do anything they like. Sir, as you know people from different parts of the State come to Guwahati for their work. They have to spend several days in hotels, paying highly from their pockets for their petty matters. Ultimately they do not get any redress of their grivances and give up all the hopes. These people are not influential people who can influence upon the authority and get things done. Hence they do not get justice. Sir, I submit that the Government will be very sincere

in their work. In particular, I appeal to the Hon'ble Minister, Forests, who is also an able lawyer, to look into all these matters in their proper perspective, so that people get justice. Sir, with these few observations. I conclude my speech.

*শ্ৰীঅমৃত লাল বসুমতাৰী: মাননীয় চেয়াৰমেন মহোদয়, আজিৰ সদনত যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱ সমৰ্থন কৰি অসমৰ বনজ সম্পদৰ ওপৰত মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। প্ৰথম কথা হ'ল অসমৰ বনজ সম্পদৰ অৱস্থা অতি দুখ লগা। অসমত যোৱা বছৰলৈকে যি বনজ সম্পদ আছিল, এই বছৰত কি অৱস্থা ধাৰণ কৰিছে? অসমৰ উত্তৰ অঞ্চলত যোৱা বছৰৰ পৰা যি আন্দোলন হৈছে সেই আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ বনজ সম্পদ বিশেষকৈ অসমৰ ফৰেষ্ট ক্ষতিগ্ৰস্ত হৈছে। আপুনি গলে দেখিবলৈ পাব যে, সেই অঞ্চল বিলাকত ফৰেষ্ট বিভাগৰ কোনো অফিচাৰ নাই। যি সকল ফৰেষ্ট বিভাগৰ অফিচাৰ আছিল, আন্দোলনৰ বাবে তেওঁলোকে জিলা হেড কোৱাৰ্টাৰ বিলাকত আশ্ৰয় লবলগা হৈছে। আৰু মাজে সময়ে দুই এটা কাম কৰিবলৈ ললেও কাম কৰিব নোৱাৰে। কাৰণ আন্দোলনৰ সময়ত পুলিচ বিভাগে পুলিচ অফিচাৰ সকলে গাড়ী বিলাক চিভিল এদমিনিচ ষ্ট্ৰেচনৰ পৰা ৰিকুইজিশ্যন কৰি লৈছে। কেতিয়া ৰিলিজ হব পাট্ৰা নাই। বন বিভাগৰ মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে, সোনকালেই এটা অৰ্ডাৰ দিয়া হব যাতে অফিচাৰ বিলাক নিজৰ নিজৰ বেষ্টলৈ গৈ কাম কৰিব পাৰে। অৰ্ডাৰ দিলে কিন্তু কেনেকৈ ফ'ল' কৰিব? কাৰণ গাড়ী বিলাক চীজ কৰা হৈছে। আজি কচুগাঁও আৰু চাৰফাৰগুৰিত কি অৱস্থা হৈছে মন্ত্ৰী মহোদয় নিজে নগলে অনুভৱ কৰিব নোৱাৰিব। যদি এইবিলাক অঞ্চলত ঘৰ বিলাক পুনৰ নিৰ্ম্মাণ কৰা নহয় আৰু প্ৰটেকচনৰ ব্যৱস্থা কৰা নহয় তেনেহলে সেই সকল অফিচাৰে তাত গৈ কাম কৰিব নোৱাৰিব। আন্দোলনৰ সময়ত আমি দেখিছো লাৰ্জ স্কেলত ইলিগেল বে-দখল কৰা হৈছে। কোকৰাঝাৰ জিলাৰ উত্তৰ অঞ্চলত শতকৰা ৫০ ভাগো ফৰেষ্ট নাই। গতিকে এইবিলাক প্ৰচেচেই যদি চলি থাকে তেনেহলে আমাৰ বনজ সম্পদ বেছিদিন নাথাকিব। ফৰেষ্ট বিভাগ বুলি এটা বিভাগ আছে যত আমি বছৰে বছৰে এই বিভাগৰ উন্নয়নৰ কাৰণে টকা এলকেচন দি আছো। আৰু এই বছৰো দিবলৈ

* Speech not Corrected

শুনাইছো। কিন্তু তাৰ পৰা আমাৰ কোনো ইনকাম, কোনো লাভ হোৱা নাই। আন্দোলন আৰু বিভিন্ন কাৰণত আমাৰ কেইটামান ডিভিজনত চেল এই বছৰ বন্ধ হৈ আছে। এই বছৰ চেল নহল। এতিয়া যিবিলাক নিবিদা দিয়া হৈছে সেইবিলাক একচুৱেলী সেই লেণ্ডত প্ৰকৃততে গছ আছেনে নাই কৰলৈ গলে অফিচাৰ সকলেও ভালকৈ নাজানে। বিভাগেও ভালকৈ নাজানে।

আমাৰ যিবিলাক পুলিচ আৰু যি প'ষ্টিং কৰিছে তেওঁলোকে ভাত কাঠ বিলাক এনেয়ে পুৰি খাই আছে। এনেকৈয়ে কিছুমান গছ নষ্ট কৰি আছে। বিশেষকৈ আমাৰ ভেলোৱেবুল চেগুন গছ নষ্ট হৈ গৈছে। এই বিলাক চোৰা-চিতা কৰিবৰ কাৰণে আমাৰ লোকেল অফিচাৰ মোহোৰা হৈ গৈছে। এই চেগুন কাঠ বিলাক চাইজত সৰু আৰু বেচি কাঠ নহয়। এইবিলাক কাঠ তেওঁলোকে কাটি আনি ঘৰ বনাইছে ভাত খাইছে লোকেল অফিচাৰ বিলাক মোহোৰাৰ কাৰণেই এনে বিলাক ঘটনা হবলৈ পাইছে। বেচিভাগ লোকেল অফিচাৰ হেড কুৱাটাৰ বা ডি,এফ,অ' অফিচত থাকিবলৈ লৈছে। তেওঁলোকে ম'ভ কৰিবলৈ গাড়ী নাই। মন্ত্ৰী মাহাদয়ে যদি দিছে তেন্তেহলে তেওঁলোকে নিজৰ নিজৰ ৰেঞ্জত গৈ কাম কৰিব লাগে। আৰু তেওঁলোকৰ ভেহিকুল বিলাক বিলিজ কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু যদি ৰেঞ্জতে থাকি কাম কৰিব নোৱাৰে তেন্তেহলে ভাড়া ঘৰ লৈ কাম চলোৱাৰ ব্যৱস্থা কৰিব লাগে। বে-দখল সম্পৰ্কত বহুতো কথা আলোচনা কৰা হৈছে। ফলত ফৰেষ্ট চাইজ, ডিভিজন বিলাকৰ চাইজ সৰু সৰু হৈ গৈ আছে। কোকৰাঝাৰ ফৰেষ্ট যিটো ৩১ নম্বৰ নেচনেল হাইৱে তাৰ উত্তৰ অঞ্চলৰ কোনো কাঠ নাই। যিবিলাক আছে সেইবিলাকো পূৰঠ নহয়। গতিকে এই গছ বিলাকো বিভাগে অপাৰেচন কৰি চেইল কৰাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া যি সকলে ফৰেষ্ট বে-দখল কৰিছে সেই সকলকো ফৰেষ্টৰ প্ৰয়োজন। ফৰেষ্ট নহলে মানুহ জীয়াই থাকিব নোৱাৰে। কোনোবা মানুহে ফৰেষ্টৰ পৰা গছ কাটি ঘৰ বনাব, ভাত ৰান্ধিব সেইটো চোৱাৰ বাবে চৰকাৰৰ দায়িত্ব নাই নেকি ? আজি হেজাৰ হেজাৰ অফিচাৰ আছে, বিভাগ আছে তেওঁলোকে কি কৰি আছে। হয়তো কলে বেয়া পাব পাৰে আমাৰ দিচপুৰত যি সকল অফিচাৰ আছে ইনকুলিডিং মিনিষ্টাৰ, অসমত কিমান ফৰেষ্ট আছে, ক'ত আছে কব নোৱাৰে। ফাইলত যিখিনি ফৰেষ্ট আছে সেইখিনি ফৰেষ্টবেই নহয়। দয়াং বনাঞ্চলত আজি কাঠ এডালো

নাই। বৰাপুখুৰীটো কাঠ নাই। গতিকে আজি এই ফৰেষ্ট বিলাক সংৰক্ষণ কৰিব লাগে। আইন আছে চৰকাৰ আছে, প্ৰয়োগ কৰি ব্যৱস্থা কৰিব লাগে। আমি কওঁ যে চৰকাৰক এই সম্পৰ্কত বহুতো গালি দিছিলো, সমালোচনা কৰিছিলো। তেওঁলোকৰ দিনতেই ফৰেষ্ট বেটেলিয়ান সৃষ্টি কৰা হৈছে। যিটো প্ৰটেকচন ফ'ৰচ বুলি কোৱা হয়। যাৰ ফলত বে-দখল বন্ধ হব। আমাৰ ওৱেষ্টাৰ্ণ বেল্টত ১২/১৬ জন মান ফৰেষ্ট বেটেলিয়ান আছে। তেওঁলোক ভয় কৰি সেই কেম্পৰ পৰা উঠি আহিছে। কছুগাৱত ফৰেষ্ট বেটেলিয়ানৰ পৰা ৰাইফল কাঢ়ি লৈ গৈছে। তেওঁলোকক কি ধৰণে ট্ৰেইনিং দিছে কব নোৱাৰো। ৰাইফল নোহোৱা মানুহে ৰাইফল থকা মানুহৰ পৰা ৰাইফল কাঢ়ি নিলে। এটাও ফায়াৰিং নহ'ল। এইটো কি ট্ৰেইনিং হ'ল। এতিয়া চিভিল এডমিনিষ্ট্ৰেচনে ৰাইফল উদ্ধাৰৰ বাবে গাৱঁলৈ গৈ আৰু আন মানুহক নানা অত্যাচাৰ কৰিছে। সেইবিলাক কথা মনত পৰিলে বৰ দুখ লাগে। ৰাইফল যি সকলৰ হাতত দিছিল তেওঁলোকে ৰাইফল কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেইটো জানিব লাগে। আৰু তেওঁলোকেই ইনটেৰিয়ৰ প্ৰেচক্ত পষ্টিং কৰিছে। গতিকে এইবিলাক কথা ভালকৈ চিন্তা কৰা দৰকাৰ। অপ্ৰাসংগিক হ'লেও এইখিনিতে মই এটা কথা ক'বলৈ বিচাৰিছো যে ফৰেষ্ট বিভাগৰ যিবিলাক বেটেলিয়ান চিলেকচন কৰা হৈছে সেইবিলাক কি ভিত্তিত চিলেক্ট কৰিলে ক'ব নোৱাৰো। কোনোবা একজন ৬ ফুট লম্বা আৰু কোনোবা একজন চাৰে তিনি ফুট লম্বা। চেহেৰা পাতি বেয়া, শক্তি নাই, ষ্টেমিনাৰ নাই, হেলথ নাই। কাৰণ আমাক পষ্ট লাগে। চিলেক্ট কৰাৰ সময়ত এইবিলাক কথা বিবেচনা কৰা হোৱা নাছিল। সেই সময়ৰ লিডাৰসকলে টকা খাই খাই চিলেক্ট কৰিলে। প্ৰাইমেৰী স্কুলৰ ক্ষেত্ৰতো বহুতো টকা খাইছিল আৰু শিচক ঘুৰাই দিব লগীয়া হৈছিল। কিন্তু আমি ফৰেষ্ট ৰক্ষা কৰিবই লাগিব। কাৰণ ফৰেষ্ট ৰক্ষা নকৰিলে অসমৰ যিটো সম্পদ সেইটো এটা জেনুইন সম্পদ। য'ত ইনভেষ্টমেণ্টৰ প্ৰয়োজন নাই। যিবিলাক গছ বাঢ়িলেই হয়, গতিকে তেনে সম্পদ আমি ৰক্ষা কৰিব লাগিব। ওৱেষ্টাৰ্ণ ঠাই বিলাকত গছ গজাৰ পিছত ওচৰত মানুহ থাকিব লাগে। নহ'লে গছ ডাঙৰ নহয়। অসমৰ গছৰ ক্ষেত্ৰত কোনো পৰিশ্ৰম কৰিব নেলাগে। গতিকে আমি এই নেচাৰেল ৰিচৰ্চটো ৰক্ষা কৰিব লাগিব। আমাৰ বনমন্ত্ৰীয়ে কৈছিল যে ফৰেষ্টত বেদখলকাৰী সকলৰ বাবে এটা ৰেলেগ্ৰ চাইড দিয়া হ'ব। কিন্তু এতিয়াও সেই আঁচনি লোৱা হোৱা নাই। সেইটো

কৰা হ'লে কিছু অংশ বন সম্পদ ৰক্ষা পৰিলহেঁতেন। অনন্তা চৰকাৰৰ দিনত এনেধৰণৰ এটা আঁচনি কৰা হৈছিল। আজি এই এনকৰচমেণ্ট কৰা সকলৰ যে কিবা বেনিফিট হ'ব সেইটো নহয়। যেইকোনো বেনিফিট হ'লে ধনীলোকবহে হয়। লেণ্ডলেচ বিলাকৰ বেনিফিট নহয়। গতিকে কোনো আঁচনি কৰিলে লেণ্ডলেচ মানুহৰ যাতে সুবিধা হয় সেইটোৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

চেয়াৰমেন মহোদয়, মই মাজতে কেইটামান বিষয় মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছিলো। পৰ্বতীয়া এৰিয়াৰ কথা লৈ পৰ্বতীয়া এৰিয়াত থকা টিম্বাৰ ঠিকাদাৰ সকলে চিচ টিম্বাৰৰ ক্ষেত্ৰত ৰিজাৰ্ভেচন বিচাৰিছিল। এইটো খুজিবলৈ যোৱাত, বনবিভাগে ভুলকৈ অভিযোগ কৰিছে যে ঠিকাদাৰ সকলে টিম্বাৰ ৰিজাৰ্ভেচনত লৈ দুই নম্বৰী ধান্দা কৰে। চেয়াৰমেন মহোদয়, এসমস্ত যিমানবোৰ দুই নম্বৰ কাৰবাৰ ব্যৱসায় কৰে বা কৰা হয় এইবোৰ অন্য মানুহেহে কৰে। আমাৰ ট্ৰাইবেল মানুহে দুই নম্বৰী ইলিগেল টিম্বাৰ ব্যৱসায় নকৰে। আজি যদি কোনোবা এজন গোসাই গাওঁ ধুবুৰী বাটালৈ যায় তেন্তে দেখিব কিমানবোৰ দুই নম্বৰী কাঠ ৰ ষ্টাৰে গৈ আছে, অনা নিয়া কৰি আছে, আৰু কোনে এই ব্যৱসায় কৰিছে তাক জানিব পাৰিব। পৰ্বতীয়া অঞ্চলৰ বাহিৰে দুই নম্বৰী ব্যৱসায় কৰাৰ কাৰণে ৰিজাৰ্ভেচন বিচৰা নাই। বন বিভাগত থকা এনে ভুল ধাৰণা আজি সোনকালে দূৰ কৰিব লাগে। যদি দুই নম্বৰী ব্যৱসায় চলিছে তেন্তে সকলোৰে কাৰণে চলিছে। আজি যদি অসমত চৰকাৰ আছে তেন্তে এই ব্যৱসায় বন্ধ কৰিব লাগে, ইয়াৰ দায়িত্ব চৰকাৰে লব লাগে।

(সময় সংকেত)

চেয়াৰমেন মহোদয়, অন্যান্য বিভাগত ঠিকাদাৰ সকল ৰেজি ষ্ট্ৰেচন কৰিব লাগে বা থাকিব লাগে, কিন্তু বনবিভাগৰ ঠিকাদাৰ সকলৰ কোনো ৰেজিষ্ট্ৰেচনৰ প্ৰয়োজন নাই-ইয়াৰ কাৰণে দুই নং কাঠৰ ব্যৱসায় বাঢ়ি গৈছে। বন বিভাগৰ ঠিকাদাৰ সকলৰো ৰেজিষ্ট্ৰেচন থকা প্ৰয়োজন- চৰকাৰে এই বিষয়ে চিন্তা কৰিব লাগে। গড়কাপ্তানি বিভাগত থকাৰ দৰে-১ম, ২য় আৰু ৩য় শ্ৰেণীৰ ঠিকাদাৰ বন বিভাগৰ কাৰণেও ৰাখিব লাগে-তেহে কাঠৰ চোৰাং কাৰবাৰ কিছু হলেও কমিব। কচুগাওঁ, হল্টুগাওঁ এষ্টেটচনৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগে। মই এটা কথা জানো চাব আন্দো-লনৰ পৰিপ্ৰেক্ষিতত বেতিয়া কছাৰীৰ বনবিষয়া সকল এৰি গৈছিল তেতিয়া

REFERENCE
(NOT FOR ISSUE)
LIBRARY



আন্দোলনকাৰী সকলেই উক্ত বনাঞ্চল চোৰাং চিকাৰী বা কাৰবাৰীৰ হাতৰ পৰা ৰক্ষা কৰিছিল। আন্দোলনকাৰী সকলো মানুহ, তেওঁলোকক বিজৰ মানুহ, বুলি ভাবি চৰকাৰ (সময় সংকেত) তেওঁলোকৰ মাজলৈ সোমাব লাগে। বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। মানুহে মানুহৰ ওচৰলৈ গলে কথা পাতিব যে ৰাবা অৱস্থা এটা কোকৰাঝাৰত আজি হোৱা নাই। কোকৰাঝাৰলৈ গলেই কোনোবা মৰিব এনে পৰিস্থিতি হোৱা নাই।

শ্ৰীগনেশ বড়োঃ মাননীয় চেয়াৰমেন মহোদয়, অসমক প্ৰকৃতিৰ জীয়ৰী বুলি কোৱা হয়। এনে বুলি কোৱাৰ যুক্তি নোহোৱা নহয়। অসমক প্ৰকৃতিয়ে সকলো বস্তু দিছে-ইয়াত কৃত্ৰিম ভাবে কোনো বস্তু সৃষ্টি কৰাৰ প্ৰয়োজন নাই। মই কেৱল আজি অসমৰ হাবি বননি আৰু ইয়াত থকা বন্য প্ৰাণীৰ কথাহে কব খুজিছো। অসমখন অতি মূল্য বান গছ-গছনিৰে ভৰা আৰু ইয়াৰ হাবিত বিভিন্ন ধৰণৰ আপুৰুগীয়া জীৱ-জন্তু আছে। আজি অসমত কৃত্ৰিম ভাবে হাবি জংঘল সৃষ্টি কৰিব লগীয়া হোৱা নাই। জীৱ জন্তু সৃষ্টি কৰাৰ প্ৰয়োজন নাই-যিবোৰ ভাৰতৰ অন্যান্য ৰাজ্যত দেখিবলৈ পোৱা নেযায় তেনে জীৱ জন্তু অসমৰ হাবিত ভৰি আছে। আজি ৰাজস্থানত কৃত্ৰিম ভাৱে হাবি বননি সৃষ্টি কৰিব লগীয়া হৈছে। চৰকাৰে গছ-গছনি কই হাবি বননি সৃষ্টি কৰিছে বহু কষ্ট কৰি। আমাৰ অসমখনক প্ৰকৃতিয়ে সকলো বস্তু দিছে। কিন্তু এই প্ৰকৃতিৰ সম্পদবোৰ ৰাজ্য চৰকাৰে ৰক্ষণাবেক্ষণ দিছেনে নাই বা দিব পাৰিছেনে নাই সেইটোহে চিন্তা কৰিবলগীয়া বিষয় হৈছে। এইটোত কাৰো দ্বিমত নাই যে চৰকাৰে অসমৰ হাবি বননি আৰু ইয়াত থকা আপুৰুগীয়া বন্য প্ৰাণী সমূহ সঠিক ভাবে ৰক্ষণাবেক্ষণ দিব পৰা নাই। চৰকাৰে এই দিশত উপযুক্ত ভাবে মনোনিবেশ দিয়া নাই। আজি ফৰেষ্ট বিভাগৰ উচ্চ পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি নিম্ন পৰ্য্যায়ৰ কৰ্ম্মচাৰী সকলৰ ফৰেষ্ট সম্পৰ্কে সম্যক জ্ঞান নাই। তেওঁলোকৰ স্বদেশ প্ৰেম নাই, গছ-গছনি আৰু বন্য প্ৰাণীৰ প্ৰতি মৰম নাই।

মাননীয় চেয়াৰমেন মহোদয়, বন কৰ্ম্মচাৰী সকলৰ কোনো সম্যক জ্ঞান নাই। যি সকল কৰ্ম্মচাৰীৰ বন আৰু বন্যপ্ৰাণীৰ প্ৰতি কোনো সম্যক জ্ঞানেই নাই সেই সকল কৰ্ম্মচাৰী-বিষয়াৰ হাতত সেই বিলাক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব কেনেকৈ বহন কৰিব? সেই কাৰণেই আজি বন্য প্ৰাণী আৰু বনানী সমূহ ধ্বংস হবলৈ ধৰিছে। শেষ হৈ গৈছে। নাইকীয়া হৈ গৈছে। যি কাৰণে

অসমৰ বনজ সম্পদ বিলাক ধ্বংস হৈছে মই তাৰ কেইটামান কাৰণদিব খুজিছো। প্ৰথমতে, চোৰাং ব্যেপাৰী সকলৰ কাৰণেই অসমৰ বনজ সম্পদবোৰ নাইকীয়া হৈ গৈছে। দ্বিতীয়তে, অসমৰ যি সকল ভূমিহীন মানুহ আছে সেই সকলে অসমৰ হাবি বননীত বেদখল কৰিছে। তাৰ কাৰণেও অসমৰ হাবি বননি বিলাক দ্ৰুত নাইকীয়া হৈ গৈছে। হাবি বননিয়েই যদি নেথাকে তেতিয়াহলে, তাত বন্য প্ৰাণীবোৰ থাকিব কেনেকৈ ? তাতে আকৌ চোৰাং চিকাৰি যিবিলাক আছে সেই সকলৰ অত্যাচাৰ আমি দিল্লী আদি ঠাইলৈ ৰেল বা বাছেৰে গলে দেখা পাম যে, হৰিণা বিলাকে দেউ দি দি নাচি বাগি ফুৰিছে, মৰা চৰাই বিলাকে চালি ধৰি নাচিছে। সকলো বিলাক প্ৰাণীয়ে মুকলি মনেৰে তাত বিচৰণ কৰিব পাৰিছে। সেই বিলাক ঠাইত হাবি বননি নথকা স্বত্বেও বিভিন্ন বন্য প্ৰাণীয়ে মুক্ত ভাবে তাত বিচৰণ কৰিব পাৰিছে কিন্তু আমাৰ ইয়াত ইমান বিলাক হাবি জংঘল থকা স্বত্বেও সেই দৰে মুকলি মনেৰে বিচৰণ কৰিব পৰা নাই আৰু বন্য প্ৰাণী বিলাক নিৰাপদ নহয়। চোৰাং চিকাৰীৰ ভয়ত এই প্ৰাণী বিলাকে ত্ৰাহি ত্ৰাহি মধুসুদন দেখিব লাগিছে। গতিকে আমি ভাবো, যি সকলক অসমৰ হাবি বননি ৰক্ষণা-বেক্ষণ দিবলৈ দায়িত্ব দিয়া হৈছে সেই সকলৰ দায়িত্ব হীনতাৰ কাৰণেই, চোৰাং চিকাৰী বিলাকে. যি সকলৰ দ্বাৰা আমাৰ বননি ধ্বংস হব পাৰে, যি সকলৰ দ্বাৰা বন্য প্ৰাণী বিলাক ধ্বংস হব পাৰে, সেই সকলে এই বিলাক সুযোগ গ্ৰহণ কৰিবলৈ সুযোগ সুবিধা পাইছে। মাননীয় চেয়াৰমেন মহোদয়, মই আৰু বেছি কথা নকওঁ। মাথোন কেইটামান স্পেচিফিক কথাৰ দ্বাৰা মই এইটোহে দেখুৱাব খুজিছো যে, দায়িত্ববিহীন কিছুমান দুৰ্নীতি পৰায়ণ কাণ্ড জ্ঞান হীন বিষয়া কৰ্ম্মচাৰীৰ কাৰণে আমাৰ বনানি আৰু বন্য প্ৰাণী বিলাক শেষ হৈ যাবৰ উপক্ৰম হৈছে।

মাননীয় চেয়াৰমেন মহোদয়, মই সিদিনা এটা তাৰাংকিত প্ৰশ্ন সুধিছিলো পানবাৰী যোজনাৰ সন্দৰ্ভত। এই আঞ্চলিক 'টাইগাৰ প্ৰজেক্ট'ত কি ঘটি আছে তাৰ এটা মই উদাহৰণ দাঙি ধৰিব খুজিছো। এই প্ৰজেক্টতে প্ৰেমলাল নামৰ এটা হাতী আছিল। সেই হাতীটো হঠাৎ চুৰি হ'ল। ফৰেষ্ট অফিচৰ পৰাই এই হাতীটো চুৰি হ'ল। এটা ফৰেষ্ট অফিচৰ পৰাই এটা হাতী কেনেকৈ চুৰি হব পাৰিলে ? হাতীটো বন কাৰ্য্যালয়ৰ সন্মুখত বান্ধি থোৱা আছিল। একোণা ডাঙৰ গছত হাতীটো ডাঙৰ শিকলিৰে বান্ধি থোৱা আছিল। আগে পিছে আটাই কেইটা ঠেং জোট লগাই বান্ধি থোৱা আছিল। অকল সিমানেই নহয়, শিকলি ডাল

যাতে খুলিব নোৱাৰে তাত এটা ডাঙৰ তলা লগাই থোৱা আছিল। এনেকৈ বান্ধি থোৱা আছিল যে, তাত কোনো পদ্ধেই এবাৰ নোৱাৰে বা মুকলি হবওঁ নোৱাৰে। হাতীৰ নিচিনা প্ৰাণী এটা এনেকুৱা বস্তু নহয় যে, টানিও নিব পাৰে বা ঠেলি লৈও যাব পাৰে। হাতী এটা নিবলৈ এটা মাউতৰো প্ৰয়োজন হব। মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ উত্তৰত কৈছিল যে, প্ৰেমলালৰ চোৰক ধৰা পেলোৱা হৈছে। এই সন্দৰ্ভত জড়িত কেটেং বড়ো নামৰ লৰাটো পুলিচৰ গুলিত মৰিছে। কিন্তু প্ৰত্যক্ষ দৰ্শীৰ মতে যি সময়ত হাতীটো চুৰি হৈছিল সেই সময়ত হাতীটোৰ পিঠিত চাৰিজন মানুহ উঠি আছিল। কিন্তু অকল ধৰা হল কেটেং বড়োকহে। কেটেং বড়ো মাউটো নহয় যে হাতীটো লৈ যাব। এটা ১৫।১৬ বছৰীয়া লৰাহে। বাকী কেইজনক ধৰা নহল। কেটেং বড়োক ধৰি থানাত ইমান মাৰ ধৰ কৰা হলে যে, কোনোমতেহে মমৰাকৈ থাকিল। শেষত সিদিনা যেনিবা পুলিচৰ গুলিত মৰিছে। এই হাতী চোৰৰ লগত ডাঙৰ কথা জড়িত হৈ আছে। আজি কেটেং বড়ো জীয়াই থকা হলে বহুত তথ্য পোৱা গলহেতেঁন। এই হাতীটোৰ চোৰৰ লগত 'টাইগাৰ প্ৰজেক্ট'ৰ ভালে মান বিষয়া কৰ্ম্মচাৰীও জড়িত আছে। ইয়াৰ লগত অসমৰ বাহিৰৰ ঠিকাদাৰো জড়িত আছিল। হাতীটো নিওঁতে অলপ পলম হল। যি সকল কৰ্ম্মচাৰীৰ লগত এইটো নিবৰ কাৰণে যোগাযোগ কৰিছিল সেই সকলে ঠিকমতে 'কো-অৰ্ডিনেট' কৰাত অলপ পলম হৈ গল। সেইকাৰণেই গোটেই পৰিকল্পনাটোৱে ব্যৰ্থ হৈ পৰিল। হাতীটো নিয়াৰ পিছত গম পাই খেদি গৈ গৈ বাটতে হাতীটো পালেগৈ। তেতিয়া বাকী কেইজন মানুহ তাত নাছিল। যিটো পৰিস্থিতিত যি ধৰণে হাতীটো লৈ গৈছে তাত এটা গভীৰ ষড়যন্ত্ৰ জড়িত হৈ আছে। বনবিভাগৰেই মানুহ ঘটনাটোৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত। গতিকে ইয়াৰ এটা উচিত তদন্ত কৰি গোটেই গোমৰ ফাকটো উলিয়াই দিব লাগে। মাননীয় চেয়াৰমেন মহোদয় ? ঘৰত থকা জীৱজন্তুকে চৰকাৰে ৰক্ষণাবেক্ষণ দিব নোৱাৰাত পৰিছে, গতিকে হাবি বননিত থকা বিলাকক কি ৰক্ষণাবেক্ষণ দিব ?

মাননীয় চেয়াৰমেন মহোদয়, তাতোকৈও ডাঙৰ কথা হৈছে যে, বনৰেই বিভাগৰ হাতত 'ভৰাক্ টকিকে' আদি কৰি যি বিলাক সৰঞ্জাম আদি আছিল সেই বিলাক আন্দোলন কাৰী সকলৰ হাতত হস্তগত হৈছে। তাৰ সহায়তেই তেওঁলোকে বিভিন্ন পশ্চাতঘাতী কাম কাজ বিলাক চলাই আছে। এই বিলাক দেখিলে

এনে হেন লাগে যেন গণ পৰিষদ চৰকাৰেইহে এই আন্দোলন বিলাক কৰোৱা হৈছে। কিয়নো এই বিলাক দেখি শুনিও চৰকাৰে কিয় একো ব্যৱস্থা লব পৰা নাই ? মই সকল পানবাৰীৰ এই ঘটনা বিলাক উত্থাপনৰ জৰিয়তে গোটেই অসমৰে ফৰেষ্ট বিভাগত কি চলি আছে তাকেহে দৃষ্টিগোচৰ কৰিছো। আন্দোলনকাৰী সকলৰ হাতত 'ওৱাকি টকি' আদি থকা বাবেও জানি শুনিও চৰকাৰে কিয় ব্যৱস্থা লব পৰা নাই সেইটেহে আচল বিচাৰ্য্যৰ বিষয় হৈ পৰিছে।

মাননীয় সভাপতি মহোদয়, মই পানবাৰীৰ কথা কৈছো কাৰণ তাতে মোৰ ঘৰ। আগতে আমাৰ ঘৰৰ পৰা এক কিলোমিটাৰ গলেই জঙ্ঘল আৰম্ভ হয় যাব নোৱাৰি কিন্তু এতিয়া ৬ কিঃ মিঃ গলেও তাত জঙ্ঘল পাবলৈ নাই। আমাৰ দেউতা হঁতে কৈছিল হাবিৰ ওচৰলৈ নাযাবি তাত বাঘ, হাতী আছে। আৰু তাত থকা হৰিণ আদি মাৰিব নাপায়, গছ কাটিব নাপায়, এইবোৰ কথা আমি বিশ্বাস কৰিছিলো আৰু সেইদৰেই হাবিলৈ নগৈছিলো। তেতিয়া তাত জঙ্ঘলৰ সীমাই সীমাই জনজাতি মানুহ আছিল কিন্তু আজি সেই জঙ্ঘলৰ সীমাই সীমাই জনজাতি মানুহ নাই কিন্তু আজি বন্য প্ৰাণী ধ্বংস হৈ গৈছে কিয়। আগতে যেতিয়া সকল জনজাতি মানুহ আছিল তেতিয়াটো বন্য সম্পদৰ কোনো ক্ষতি হোৱা নাছিল। পানবাৰী ফৰেষ্ট অফিচ যিটো আছে তাত যি বিলাক মানুহ থাকে তেওঁলোকে ২৪ঘন্টাই মদ খাই থাকে। কিবা কামত পঠালে, বৰমতা দেখুৱাই থৈ আছে নিৰীহ জনসাধাৰণৰ ওপৰত। যি বিলাক মানুহে হৰিণ মাৰিব নোৱাৰে, বাঘ মাৰিব নোৱাৰে, হাতত কোনো অস্ত্ৰ নাই হোৱা মানুহ, সেই বিলাকৰ ওপৰত অত্যাচাৰ কৰি বৰমতা দেখুৱাই। এতিয়া আবচুৰে আন্দোলনকাৰী সকলে বন্দুক লৈ ওচি যায় আমাৰ কৰ্ম্মচাৰী পলাই ফাট মাৰে। তেওঁলোকে সাধাৰণ মানুহৰ ওপৰতো অত্যাচাৰ কৰিছে, মাইকী মানুহ মাছ মাৰিবলৈ যাওঁতে গুলিয়াই মাৰিছে আৰু কিমান মানুহক মাৰিছে, বাঘ মাৰিছে, হৰিণ মাৰিছে তাৰ সীমা সংখ্যা নাই। এনেকৈ অসমৰ হাবি বননি ৰক্ষা কৰিব কেনেকৈ ? তাৰোপৰি ডাঙৰ ডাঙৰ চিকাৰীয়ে হাবিত সোমাবৰ কাৰণে বাট মুকলি কৰিবৰ কাৰণে সাধাৰণ হোৱা মানুহ বিলাকক অত্যাচাৰ কৰি ঘৰৰ ভিতৰত থাকিবলৈ বাধ্য কৰে। যাতে তেওঁলোকে সুন্দৰভাৱে হাবিত সোমাই সকলো ধ্বংস কৰি আকৌ সুন্দৰভাৱে ঘুৰি আহিব পাৰে। টাইগাৰ

প্ৰজেক্টৰ বিষয়ে আমাৰ হেমেনদাস ডাঙৰীয়াই ভাল'কৈ পিচত কব কাৰণে সেইটো ক্ষেত্ৰৰ সমষ্টিৰ কথা ভালদৰে জানিব। মই ভালদৰে জানানো সেয়ে নকওঁ মাত্ৰ মই মোৰ থকা ওচৰৰ পানবাৰীৰ কথা কৈছো। অসমৰ হাবি বননি কাৰদ্বাৰা ধ্বংস হৈছে সেইটো আজি বিচাৰ কৰি চ'ব লগীয়া হৈছে। কাৰণ আজি এইটো বিষয় সকলোৱে আলোচিত হৈছে। যদি বন্য প্ৰাণী আৰু অসমৰ বন বননি ৰক্ষা কৰিব খুজিছে তেন্তে আমাৰ বন মন্ত্ৰী মহোদয়ে এইবিলাক কথা চিন্তা কৰি চোৱা প্ৰয়োজন। নহলে অসমৰ হাবি বননি ৰক্ষাৰ কাৰণে যি ব্যৱস্থাপনা কৰা আছে তাৰ দ্বাৰা কেতিয়াও বননি ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰে। যদি মন্ত্ৰী মহোদয়ে নতুন কিবা চিন্তা কৰিছে তেতিয়া হলে সেইটোক আমি স্বাগতম জনাম। কিন্তু বৰ্ত্তমান ব্যৱস্থাপনাৰ দ্বাৰা বন বননি যে অচিৰে ধ্বংস হব তাত সন্দেহ নাই। আজি অসমত চচিয়েল ফৰেষ্ট্ৰী কৰাৰ প্ৰয়োজন হৈছে কিয়? ভগৱানে আমাক সকলো দিছে। গতিকে আমি কৃত্ৰিম ভাৱে গছ ৰোৱাৰ ব্যৱস্থা কৰি চচিয়েল ফৰেষ্ট্ৰী কিয় কৰিব লাগে। ৰাজস্থান আদি ঠাইত বা অন্যান্য প্ৰদেশত যত প্ৰাকৃতিক বনাঞ্চল নাই তাত কৃত্ৰিমভাৱে কৰাত আপত্তি নাই। কিন্তু আমাৰ ইয়াত চচিয়েল ফৰেষ্ট্ৰী কৰি অযথা হকত লাখ লাখ টকা খৰচ কৰিছে। কাৰণ কত কিমান গছ ৰোৱা হৈছে, কত কিমান টকা খৰচ আদি কৰি কি কাম কৰিলে সেই বিলাকৰ একো হিচাপ নাই। আজি আমাৰ বনাঞ্চলৰ যি বিলাক কাৰ্য্যালয় আছে সেই বিলাকত কোনো কৰ্ম্মচাৰী নাই। কোকৰাঝাৰত নাই। ওদালগুৰিত নাই, বৰপেটাত নাই, আৰু মানসতো আজি বন কৰ্ম্মচাৰী নাই। আন্দোলন আৰম্ভ হোৱাৰ পৰা এই বনাঞ্চলৰ অফিছ বিলাকত কৰ্ম্মচাৰী নথকা হৈছে। যদি কৰবাত আছেও তাতো আন্দোলনকাৰী সকলৰ কতৃত্ব আছে। আজি চোৰাং কাৰবাৰী আৰু চিকাৰী বিলাকৰ অবাধ ৰাজত্ব হৈছে। মই সেই কাৰণেই কৈছো যি বিলাক বন বিভাগৰ কৰ্ম্মচাৰী আছে তেওঁলোকৰ বন্যপ্ৰাণীৰ প্ৰতি মৰম নাই, বনৰ কোনো সম্যকজ্ঞান নাই। বনকৰ্ম্মচাৰী সকলে আনে তেওঁলোক ৰংতামাচা কৰিবলৈহে তাত আছে। পাৰিলে চোৰা মৰা মানুহক মাৰিব লাগে। অস্ত্ৰ সস্ত্ৰ মোহোৰা মানুহক অত্যাচাৰ কৰিব লাগে। কিন্তু কোনোবা এজন মানুহে যদি মাৰিবলৈ আহে তেওঁলোক দৌৰি পলায় এনেকৈ অসমৰ বন্যপ্ৰাণী ৰক্ষা কেতিয়াও নহয়। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীৰেমেন দাস : মাননীয় সভাপতি মহোদয়, মই জয় জয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এডভোকেট মাননীয় শ্ৰী পি, পাঠক, জি উকীল, শ্ৰী এচ, এন শৰ্ম্মা, শ্ৰী বি, কে, শৰ্ম্মা, শ্ৰী এম, দত্ত, শ্ৰী চি, চৌধুৰী, শ্ৰী কে, এন, চৌধুৰী, শ্ৰী এইচ, ৰহমান, আৰু শ্ৰী কে, কে, দেৱী এখেত সকলক আপোনাৰ জৰিয়তে মোৰ অভিনন্দন জ্ঞাপন কৰিছোঁ। আৰু লগতে মাননীয় বিচাৰপতি শ্ৰীহাজৰিকা আৰু মীৰা শৰ্ম্মাকো মই অভিনন্দন জ্ঞাপন কৰিছোঁ। কাৰণ যি সময়ত অসম চৰকাৰে অসমৰ বনাঞ্চল ধ্বংস কৰাৰ কাৰণে নিৰ্দ্দেশ দিলে, মাননীয় মন্ত্ৰী মহোদয়ে বগাইখাচ অঞ্চলত উত্তৰ দিওঁতে কৈয়ে দিলে যে তাৰ দ্বাৰা পাৰি-পাৰ্শ্বিকতাত একো অসুবিধা নহয়, কাৰণ ৮ বিঘাত একোডাল কৈহে গছ কটা হৈছে। এই অৱস্থাত মাননীয় বিচাৰপতিদ্বয়ে অসম চৰকাৰে ধ্বংস কৰিবলৈ দিয়া নিৰ্দ্দেশৰ বিপৰীতে অসমৰ বনাঞ্চল ৰক্ষা কৰাৰ কাৰণে নিৰ্দ্দেশ দিছে। মাননীয় বন মন্ত্ৰীয়ে কৈছিল যে চুপ্ৰীম কৰ্টলৈ যোৱাৰ উপায় নাই কাৰণ পইন্ট নাই। এইটো প্ৰশ্ন অৱশ্যে মই তোলা নাছিলোঁ। মাননীয় সদস্য নগেন শৰ্ম্মা ডাঙৰীয়াইহে তুলিছিল। এতিয়া দেখিলো চুপ্ৰীম কৰ্টলৈ যাব নালাগে গুৱাহাটী হাই কৰ্টেই গছ কটা বন্ধ কৰি দিলে। মাননীয় সদস্য শ্ৰীহিৰণ্য বৰাই ঠিকেই কৈছে বন মন্ত্ৰীয়ে এতিয়া বাম প্ৰস্থ লওক। সচাঁয়ে বাম প্ৰস্থ লব লাগিছিল। কাৰণ তেওঁ যি কৰিবলৈ লৈছে মাননীয় হাইকৰ্টে কৈ দিলে যে সেইটো ঠিক হোৱা নাই। তোমালোকে ঠিককৈ কাম কৰিব পৰা নাই সেয়ে আমি কৰি দিছো। কাৰণ মানৱ জাতিক ৰক্ষা কৰিবই লাগিব। It is the bounden duty of the Government to protect the human life. To protect the humanity I would like to have come forward.

সভাপতি মহোদয়, আমি ইয়াত বিধানসভাত এই বিলাৰ কথা কোৱা হয় যদিও অৰণ্যৰোদনৰ নিচিনাহে হয়। বগাইখাচত কি হ'ল। এই সকলো বিলাকতে এ.কাটাইত ক্ৰিমিনেল এজেন্সি আছে। মাননীয় মন্ত্ৰী মহোদয়ে আঠ বিঘাৰ কথা কৈছিল কিন্তু দহ কিলোমিটাৰ পৰ্য্যন্ত বগাইখাচত ক'তো এডালো বন নাই। তাত ঝুম খেতি কৰিছে। মই নিজেই চাই আহিছো। আৰু এটা কথা হ'ল ৰেলওৱে শ্লীপাৰৰ সম্পৰ্কত। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে শ্লীপাৰ যোগান ধৰিবলৈ কিছুমান সংগঠনক দায়িত্ব দিছে কিন্তু ক'ৰ পৰা কাঠ আনে কব নোৱাৰো বুলি কৈছিল। সভাপতি মহোদয় ৰত্নাকৰ বাল্মীকি হোৱাৰ

আগতে চুৰি কৰি মাক দেউতাকক পোহ-পাল দিছিল আৰু মাক দেউতাকে ক'ৰ পৰা খুৱাই নাজানো বুলি কৈছিল ইয়াতো ঠিক তেনেকুৱাই হৈছে। ঠিকাদাৰক কাঠ যোগান ধৰিবলৈ নিৰ্দ্দেশ দিছে কিন্তু ক'ৰ পৰা দিয়ে সেইটো নাজানে। এইটো কেনেধৰণৰ কথা। অসমৰ হাবিৰ পৰা কাঠ কাটিবলৈ ঠিকাদাৰক দায়িত্ব বিভাগেই দিছে মই মন্ত্ৰীয়ে দিয়া বুলি নকওঁ। অথচ গছ কাটিয়ে আছে। অনুমতি দিয়া নাই যদি গছ কাটিবলৈ ক'ৰ পৰা পাইছে? অদ্ভুত এই চৰকাৰ। ১৯৮৬ চনৰ পৰা গছ কটা নাই অথচ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কটা গছ বাগৰি পৰি থকা দেখা যায়। ইলিগিলেই যদি ইমান লগ তেনেহলে লিগেল আৰু কিমান হব পাৰে অনুমান কৰক সভাপতি মহোদয়। শ্বহীদৰ নামত শপথ খাইছে যে অপৰাধীক শাস্তি দিয়া নহব আৰু বিচাৰ কৰা নহব। অসম আন্দোলনৰ শ্বহীদৰ নামত শপথ খাই অপৰাধীৰ বিচাৰ নকৰো বুলি ধৰি লৈছে। এই বিলাক কথা কনজাৰভেটৰৰ ৰিপোৰ্টৰ পৰা পৰিস্কাৰ হব। শিলচৰ ডিভিজনৰ কনজাৰভে টৰৰ পৰাগছ কটা বুলি লিখিছে:

That on the day following the date of my letter as referred to in the foregoing para, I made a further communicatio n to Shri M. K. Sinha, I.F.S. the DFO, Silchar Division under cover of this letter No: FCS 16/SAC/87 dated 23,9.87 marked confident ial and issued by name, drawing his personal attention in regard to the illegalities at Nunainala and Dhalcherranal wherein 9 Nos of unauthorised Contractors were felling the trees and dragging the felled trees by engaging 5 Nos of elephants. It was also stated in the said communication that at Gandocherra and Jamira area 3500-5000 trees were already felled by the miscreants on the strength of Mizoram IPS as reportedly obtained from Kolasib Range of Mizoram and he ( Shri N.K. Sinha, IPS ) has issued an order allowing removal of these illegally felled illicit timbers.

কনজাৰভেটৰৰ ৰিপোৰ্ট মতে ৯ জন ঠিকাদাৰে ৬ টা হাতীৰে কাঠ কঢ়িয়াই আছে। তাত আকৌ লিখিছে:

The situation arising out of unchecked/uninterrupted illegalities in the area by way of illegal felling and removal of illicit timbers forming the outturn of those illegally felled trees with the advantage of orders issued by Shri M,K. Sinha, IFS, DFO Silchar Division as referred to in para 3 above, At any rate, concurring with the suggestions

of the S. V. C. Counsel, I would suggest registration of the criminal cases and the picking of the accused in the line suggested above may come at a later stage.

তাৰ পিচত সেইজন অফিচাৰৰ দ্বাৰা একো কাম নোহোৱাত তেওঁ বিজ্ঞে ফোৰ্চ গঠন কৰিলে।

In law, there is no difficulty in simultaneously launching criminal prosecution as well as departmental proceedings but in practice. since the materials by and large will be the same for sustaining both the proceedings, there may be some difficulty in conducting both at the same time. However the Forest Department will be the best judge to decide this.

তেওঁ চীজ কৰিলে আৰু ১২৪৫ ৰাউণ্ড লগৰ উপৰত ব্যৱস্থা ললে। ৩৬ পৃষ্ঠাৰ ৰিপোৰ্ট পঠাইছে ডি-এফ-অ'ৰ বিপক্ষে। কিন্তু চাৰিবাৰ বদলি কৈও আকৌ ষ্টে অৰ্ডাৰ লৈ ৰহি আছে। গতিকে চৰকাৰে শ্বহীদৰ নামত শপত খাই অপৰাধীৰ বিচাৰ নকৰে বুলি থকাৰ এই বিলাক উদাহৰণ নহয়নে? দ্বিতীয় কথা হ'ল প্ৰশ্নোত্তৰ কালত মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যদিও আলোচনা কৰাৰ সময় কম আছিল কাৰণে কোৱা নাছিলো কিন্তু মুখ্যমন্ত্ৰী মহোদয়ৰ ভিজিলেন্স চেলে তদন্ত কৰি ৫১ জন বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে ৰিপোৰ্ট দিছিল। ভিজিলেন্স চেলৰ এচ-পিয়ে দিয়া এই ৰিপোৰ্টৰ ওপৰত বন বিভাগক কাম কৰিবলৈ দিলে আৰু বন বিভাগে এল-আৰৰ মতামত লবলৈ গ'লে। লিগেল ৰিমেমব্ৰাৰ নহয় তেওঁ হ'ল ইলিগেল ৰিমেমব্ৰেঞ্চাৰ যেওঁক যিমান সোনকালে পাৰে তাৰ পৰা আঁতৰাব লাগে।

(ভইচ: নাম, কি)

নাম নাজানো। ১৪-২-৮৮ তাৰিখে সেই লিগেল আৰৰ ইলিগেল ৰিমেমব্ৰেঞ্চাৰ চিফ চেক্ৰেটাৰীলৈ লিখিলে:

তাত তাওঁৰা তাওঁক সকলৰ ওপৰত ক্ৰিমিনেল কেচ আৰু বিভাগীয় কাৰ্য্য ব্যৱস্থা লোৱাৰ দিহা দিছে আৰু সৰু সৰু বিলাকক সাক্ষী হিচাবে দিয়াৰ কথা কৈছে। কিন্তু এল-আৰৰ শেষৰ লাইনটো অতি মাৰাত্মক:

এইটো কেনেকৈ হয়। কেনেকৈ লিখিব পাৰে?

সভাপতি মহোদয়, এই বিষয়াজনে চৰকাৰক কেতিয়াও লিগেল গাইড দিব নোৱাৰে। ইল্লিগেলহে দিব। আইন বিভাগে মতামত দিছে— "Please see the orders of C.M. dated 5.12.88 below. We discussed

on 17.12.88. L.R. has given his opinion above. Please put up for orders of C.M," লিগেল এডভাইজাৰৰ ওপৰত চৰকাৰে বহুত নিৰ্ভৰ কৰে। তেওঁৰ ভুলৰ ফলত ঘোটে ঘোটে পানী খায়। আইন বিভাগে এডভাইজাৰৰ ওপৰত নিৰ্ভৰ কৰিছে, এইটো কিয় ? —মুখ্য সচিবে বন বিভাগৰ সচিবলৈ লিখিছে। উত্তৰত বন বিভাগৰ সচিবে অৱশ্যে ভাল কথাই লিখিছে—আমি দুয়োটা বস্তু একেলগে নলওঁ। এইটোত মই সমৰ্থন নকৰো আৰু এখেতেও নকৰে। পলিটিকেল এ.ফয়াৰচৰ কমিটিত কৈ গৈছে—"We may accordingly instruct the Vigilence Department to register criminal cases accordingly against the 51 forest officials. Simultaneous Departmental proceedings are not suggested at this stage." মুখ্যমন্ত্ৰীয়ে লিখিছে—"I received the file from the Law Deptt. to-day though Hon'ble Law Minister signed upon it 12.8.88. Please take action as suggested by C S. and L.R. immediately and let me know the position." বন বিভাগৰ সচিবে চহী কৰিছে—১৬-৮-৮৮ তাৰিখে আৰু মুখ্যমন্ত্ৰীয়ে চহী কৰিছে ১০-১১-৮৮ তাৰিখে। এতিয়া সভাপতি মহোদয় চাওক মুখ্যমন্ত্ৰীৰ ভিজিলেঞ্চ চেল আছে এডভোকেট আছে সকলো আছে কিন্তু আজিলৈকে কি হৈছে ? এই বিষয়ত নিশ্চয় কেইজনমান দুৰ্নীতিত লিপ্ত লোক আছে। মুখ্যমন্ত্ৰীৰ ভিজিলেঞ্চ চেলে এই বিষয়ৰ ওপৰত কিমান তদন্তও হৈ প'ল। এখন কমিটি গঠন কৰাৰ কথাও উঠিছিল। মাননীয় আইন মন্ত্ৰীৰ আকৌ ১০-৬-৮০ তাৰিখে বহুত কাম হোৱাৰ কাৰণে "Processing voluminous documents at the department will be very difficult without installing a separate office for the purpose consisting of (a) a fulfleged Joint Secretary and supporting competent staff to be picked up by the Deptt., (b) adequate office accommodation and (c) adequate security arrangement. এই বিভাগত যুটীয়া সচিব আছে নে নাই ? মই জনাত যুটীয়া সচিব নাই। গতিকে মই ভাবো চৰকাৰে দুৰ্নীতপৰায়ণক ৰক্ষা কৰিবৰ কাৰণে চেষ্টা চলাইছে। আমি এই ক্ষেত্ৰত কেনেকৈ কাম কৰিম—আমি কেৱল নিমিত্ত মাত্ৰহে। আমাৰ মানুহৰ তথা আমাৰ দেশৰ জনসাধাৰণৰ স্বাৰ্থৰ কাৰণেহে কিছুমান কথা উৎথাপন

কৰিবলগীয়া হৈছে। কোনো এজন বিষয়া মোৰ শত্ৰু নহয়, মন্ত্ৰীও মোৰ শত্ৰু নহয়, সম্পৰ্কও নাই, ভাল সম্পৰ্কও নাই আৰু বেয়া সম্পৰ্কও নাই। আমাৰ দেশৰ গছ-গছনিবিলাক কাটি সোনকালে ৰাজস্থানলৈ যেন দেশখন লৈ নাযায়। চৰকাৰে যাতে ৰাজহৰ ফালে দুই পইচা পায়। এল, আৰৰ ৰিপোৰ্টক লৈ যিমান লিখা লিখি চলিছে হাঁহি উঠা কথা হৈছে। মই গোটেইখিনি কথা নকওঁ। পত্তিকে কাম নকৰি বহি থাকিলে উপায় নাই। ভিজিলেঞ্চৰ বিষয়াই যদি ভুল তথ্য দিছে তেন্তে ভিজিলেঞ্চৰ বিষয়াই শাস্তি পাব লাগে আৰু যদি ভুল তথ্য দিয়া নাই যি সকলৰ বিৰুদ্ধে তেওঁলোকে উৎথাপন কৰিছে সেই সকলৰ বিৰুদ্ধে শাস্তি দিব লাগে। ঠিক সেই দৰে শিলচৰৰ কথাকে কওঁ। কনজাৰভেটৰে যদি ভুল তথ্য লিখিছে তেন্তে তেওঁ শাস্তি পোৱা উচিত। যদি তথ্যখিনি ভুল নহয় যিখিনি কথা লিখিছে সেইমতে DFO ই শাস্তি পাব লাগে। এবাৰ এজন বিষয়াক বদলি কৰাৰ পিচত আকৌ ষ্টেই কৰাই আনিছে। সেইকাৰণে মই আমাৰ মেধি ডাঙৰীয়াই এই বিভাগটোক ভালদৰে চাবলৈ পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য সামৰণি মৰাৰ আগতে গনেশ বড়ো ডাঙৰীয়াৰ এটা কথা মোৰ মনত পৰিছে। ট্ৰাইবেল এৰিয়া বিলাকত চোৰাং কাঠৰ ব্যৱসায় অবাধ ৰাজত্ব চলিছে। মোৰ নিজৰ সৰভোগ সমষ্টিত ৮ দিন মানৰ আগতে বহুতো চোৰাং কাঠ ওলাইছিল। মোৰ সমষ্টিৰ সিপাৰে গনেশ বড়ো ডাঙৰীয়াৰ সমষ্টি। আচল ঘাগু মানুহক ধৰিব পৰা নাই। ৰাতি ২৬ গাড়ী কাঠ আমাৰ গাৱঁৰ মানুহে ধৰিলে তাৰ কাৰণে মই ধন্যবাদ দিছো। কিন্তু তেখেতৰ সমষ্টিত ধৰিব পৰা নাই। সেইদৰে টম্বু টানি প্ৰায় ১৫ বছৰ মান কাঠৰ চোৰাং কাৰবাৰ চলাই আছে সেই অসৎ ব্যৱসায়ী কেইজনক ধৰিব পৰা নাই। ভাত গছ কাটিয়েই আছে কাটিয়েই আছে। কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই সেইখিনি মানুহক সোনকালে গ্ৰেপ্তাৰ কৰিবৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীকামাখ্যা চৰন চোধুৰী: মাননীয় সভাপতি মহোদয়, আজি আমাৰ ৫৫নং মঞ্জুৰীৰ শিতানত বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন আগবঢ়াইছো। আৰু দুজনমানে যি কেইটা কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰে কেইটামান কথা কবলৈ আগবাঢ়ি আহিছো। সামাজিক বনানীকৰণ অসমৰ এটা প্ৰাকৃতিক সম্পদ। অসমৰ এই প্ৰকৃতিক সম্পদটোৰ ওপৰত কি ধৰণৰ সুবিধা লৈছে সেইটো

হৈছে একমাত্র তেল আৰু চাহ পাত। এই বন বিভাগৰ পৰা কেনে ধৰণে ৰাজহ আহৰণ কৰিব লাগিছিল তেনেধৰণে হোৱা নাই। সেইকাৰণে মই কেইটামান পৰামৰ্শ আগবঢ়াইছো। আমাৰ এই গণপৰিষদ চৰকাৰে গছ-গছনি কাটিবলৈ বন্ধ কৰি দিছে যদিও কোনে কেনেধৰণে কাঠবোৰ আনিব পাৰিছে সেইবোৰ সোনকালে পৰিকল্পিতভাৱে যি ধৰণে বন্ধ কৰাৰ ব্যৱস্থা লব লাগিছিল সেইধৰণে লব পৰা নাই। কাৰণ কাঠবোৰ বেয়া হৈ গলে কোনো কামত নাহিব। গতিকেই আজি এই ব্যৱস্থা বিলাক কেনে দৰে চলি আছে সেইটো ভাল ধৰণে চোৱাতো উচিত। আমাৰ অসম গন পৰিষদ অহাৰ পাচত যিমান বিলাক 'চ'-মিল আছে সেইবিলাকক কাঠ কটাতো বন্ধ কৰা হৈছে। কিন্তু তথাপিতো আজি এই 'চ' মিল- বিলাকত দমে দমে কাঠ বিলাক পেলাই থোৱা হৈছে, এই কাঠ বিলাক ক'ৰ পৰা অনা হৈছে আৰু কৰ পৰা কাটিছে বা আনিছে সেইবিলাক অনুসন্ধান কৰি যদি কাটিছে সেইটো তত্তালিকে বন্ধ কৰিব লাগে। অসমত আজি হাবিবননি শতকৰা ৩০ ভাগ থাকিব লাগে। এতিয়া আমাৰ ৰিজাৰ্ভ ফৰেষ্ট ২শতাংশ আৰু আনৰিজাৰ্ভ ৩৭ শতাংশ আছে মুঠ ৩৯ শতাংশ হব লাগে। কিন্তু দয়াং ৰিজাৰ্ভ খন যদি ক্লাচিফাইড ৰিজাৰ্ভ হিচাবে ৰখা হৈছে আৰু অলপতে ৰঙা পুখুৰীত যি ধ্বংস লীলা হল গছগছনি কাটি শেষ কৰিলে তেনে ক্ষেত্ৰত আমাৰ যি ৩৯ শতাংশৰ কথা কোৱা হৈছে সেইটো নিশ্চয় কমি যাব। তাৰোপৰি আমাৰ সীমা মূৰিয়া যিবিলাক ৰাজ্য আছে বিশেষকৈ অৰুণাচল আৰু মেঘালয় ইত্যাদি ৰাজ্যৰ মানুহ বিলাকে পাহাৰৰ গছগছনি কাটি সীমামূৰীয়া অঞ্চলত পাহাৰৰ পৰা নামি আহি ভৈয়ামত খেতি কৰিবলৈ লৈছে ফলত আমাৰ বনাঞ্চল বহু পৰিমানে কমি আহিছে, গতিকে সেই বিলাক বিষয়ত আমি বিশেষ ভাবে চকু দিয়াটো উচিত। আৰু দেখা যায় যে কম্পট্ৰলাৰ জেনেৰেল অব ইণ্ডিয়াৰ অডিট ৰিপৰ্ট মতে আমাৰ বন বিভাগৰ পৰা যিমান খিনি ৰেভিনিউ আদায় হব লাগিছিল বিশেষকৈ আনক্লাচড ৰিজাৰ্ভ ফৰেষ্টৰপৰা যিমান খিনি ৰেভিনিউ আদায় হব লাগিছিল সিমান খিনি নোহোৱাৰ কাৰণে আমাৰ বহু খিনি ক্ষতি হৈছে আৰু ৰাজ্যখনত বিত্তিয় সংকট হোৱাৰ সিয়ো এটা কাৰণ। তাৰোপৰি হিন্দুস্থান পেপাৰ কোৰপৰেশ্যনক পাৰটন ২.৫০ পইচাকৈ ৰাহ ৩০ বছৰৰ কাৰণে লিজত দিয়াৰ কাৰণে আমাৰ ষ্টেট চৰকাৰৰ বহু খিনি ক্ষতি হৈছে।

এইটো দুখজনক কথা। গতিকে এইটো আমি ততালিকে বন্ধ কৰি নতুনকৈ কনট্ৰাক্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। মই মন্ত্ৰী ডাঙৰীয়াৰ লগত নিজেও এম, চি হিলচলৈ গৈছিলো আৰু তালৈ যাওতে দেখিছিলো আমচৈ অঞ্চলত বহুত বাহ কাটি দম কৰি থোৱা দেখা পাইছিলো। গতিকে হিন্দুস্থান পেপাৰ মীলক এই যিটো লীজ ৩০ বছৰৰ কাৰণে দিছে সেইটো দৰকাৰ হলে আইনসংগত ব্যৱস্থা লৈ হলেও কেনচেল কৰাৰ ব্যৱস্থা কৰি নতুনকৈ চুক্তি কৰাৰ ব্যৱস্থা কৰিব লাগে। মই শিল আৰু বালিৰ ক্ষেত্ৰত কৰ বিচাৰিছো জাগীৰোড অঞ্চলত শিলৰ যিবিলাক কোৱেৰী আছে তাৰ পৰা চৰকাৰে যি খিনি ৰেভিনিউ পাব লাগে সেই খিনি পোৱা নাই। গতিকে আমি ৰেইলওৱে অথৰিটিৰ লগত যোগা যোগ কৰি যাতে ইয়াৰ ৰাজহ খিনি আদায় কৰিব পৰা যায় আৰু যাতে ৰাজহ মৰা নপৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ১৯৪৭ চনতে ৰেইলওৱে আঠোৰিটিৰ ওচৰত দাবী কৰা হৈছিল। আমি ধুবুৰী অঞ্চললৈ যাওতে ধুবুৰীৰ পৰা ২৫ কিলোমিটাৰ দূৰত মহামায়া বুলি এখন থান আছে তাত খৰী অনাৰ চলতেই কিছুমান মুল্যবান গছ বা কাঠ কাটি আনি নাৱেৰে বাংলা দেশলৈ নিব ধৰিছে। তাত ৰেঞ্জ অফিচ ইমান ওচৰতে আছে কিন্তু ভেৰিফাই কৰাৰ কোনো ব্যৱস্থা নাই। গতিকে মন্ত্ৰী মহোদয়ে বিষয়া সকলক এই দিশত কঠোৰ ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিব লাগে। মোৰ সমষ্টিত কেডাৰ পাহাৰত শাল চেগুণ ইত্যাদি মূল্যবান গছৰ পুলি বহুত আছে, সেই গছৰ পুলি বোৰ কাটি শেষ কৰিব ধৰিছে। সৌ সিদিনা মই গুৱাহাটী মহানগৰীৰ বনানীকৰণ সম্পৰ্কত এটা প্ৰশ্ন কৰিছিলো। তাত (শৰণীয়া পাহাৰত) গছ-গছনি কাটি বিশেষকৈ বনানীকৰণ বিভাগে কই দিয়া গছ বিলাক কাটি বেদখল আৰম্ভ কৰিছে। আনকি গান্ধী মণ্ডপটো ৰক্ষা কৰাও টান হৈ পৰিছে। সামাজিক বনানিকৰণৰ যি সকল বিষয়া তেওঁলোকে নীতি গত ভাবে যাতে ব্যৱস্থা লয় তাৰ কাৰণে অনুৰোধ জনাইছো। বনবিভাগৰ অ'ন এটাআপুৰুগীয়া সম্পদৰ বিষয়ে পৰামৰ্শ আগবঢ়াব বিচাৰিছো, সেইটো হ'ল হাতীৰ দাঁত যিটোৰ অভাৱৰ কাৰণে বৰপেটাৰ হাতীদাঁতৰ শ্লিপটো নাইকিয়া হৈ ধ্বংস হোৱাৰ উপক্ৰম হৈছে গতিকে আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি হাতী দাতৰ যোগান ধৰি কেনেকৈ এই মৃত প্ৰায় শ্লিপটো জীয়াই ৰাখিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আমি বাতৰি কাকতত পাইছো সৌ সিদিনাখন এটা পাগল হাতীয়ে নদীত জাপ দি মৃত্যু বৰণ কৰাৰ

পাচত ২৭ কেজি আৰু ১১ কেজি ওজনৰ দুটা দাঁত উদ্ধাৰ কৰিব পৰা হৈছে। গতিকে এনেকুৱা ধৰণে যাতে হাতীৰ দাঁত নষ্ট হৈ নাযায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এই দাঁতৰ শিল্পটো সজীব কৰি তোলাৰ কাৰণে চেষ্টা কৰিব লাগে। তাৰোপৰি সৰু সুৰা আমাৰ যিবিলাক পাহাৰ আছে সেইবিলাকৰ পৰা যাতে গছগছনি কাটি আনি ধ্বংস কৰিব নোৱাৰে আৰু তাত যাতে গছ পুনৰ বৃদ্ধি কৰিব পাৰে তেনেকুৱা ধৰণৰ ব্যৱস্থা লব লাগে। তাৰোপৰি মই আন এটা কথা কব বিছাৰিছো, আমি শদীয়ালৈ যাওতে সীমা মূৰীয়া ঠাইবিলাকত মাটি কটিওৱা টুকুৰী বিলাক ওচৰত থকা পাহাৰ বা জংগলৰ পৰা কাটি আনি বনাই থকা দেখা গৈছে আৰু সেই টুকুৰী বিলাক উত্তৰ প্ৰদেশলৈ পঠোৱা হয়। সেই টুকুৰী বিলাক বনাই থাকোতে মানুহ এজনক সোধাত তেওঁ কলে আমি এইবিলাক বেত জংগলৰ পৰা আনিছো। সীমা মূৰীয়া অঞ্চলৰ পৰা এই বেত বিলাক বা বেতৰ টুকুৰী বিলাক কেনেকৈ যাব পাৰে। কিয়নো তাত কোনো ধৰণৰ টেক্স লগোৱা নাই। গতিকে তাত অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্ৰহন কৰিব লাগে। মই আগতেও কৈছো যে যি বিলাক ঠাইত জঙ্গল ভাঙি পাহাৰৰ পৰা নামি আহি আমাৰ সীমামূৰীয়া অঞ্চলৰ ভৈয়ামত খেতি কৰাৰ আৰম্ভ কৰিছে সেইটো ততালিকে বন্ধ কৰিব লাগে। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটোৰ সম্পূৰ্ণ বিৰোধিতা কৰি আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো মঞ্জুৰী উৎথাপন কৰিছে সেইটো সম্পূৰ্ণৰূপে সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now Hon'ble Shri Padmanath Koiri.

* শ্ৰীপদ্মনাথ কৈৰী : মাননীয় সভাপতি মহোদয়, আজি বন আৰু বন্যপ্ৰাণী সম্পৰ্কত যিটো মঞ্জুৰী অনা হৈছে তাৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু দুষাৰ কবলৈ আগবাঢ়িছো। বন সম্পৰ্কে প্ৰায়েই আলোচনা হৈছে। আমি অসমীয়া মানুহ আৰু, অসমৰ মানুহ, বন সম্পৰ্কে আমাক বেছি কব নালাগে যিহেতু আমাৰ জন্ম প্ৰকৃতিৰ লগত প্ৰকৃতি কেনেকৈ ধ্বংস হৈ আহিছে আমি সকলোৱে জানো এতিয়া কথা হ'ল এই প্ৰাকৃতিক বন্য-প্ৰাণী সম্পদ ৰাজী কেনেকৈ ৰক্ষা কৰে বা ৰক্ষণাবেক্ষণ দিব লাগে সেই বিষয়ে চিন্তা কৰা উচিত। এই বন আৰু বন্য-প্ৰাণী সম্পৰ্কত মই কেইটামান পৰামৰ্শ দিব বিছাৰিছো। বন আৰু বন্যপ্ৰাণী ৰক্ষনা-বেক্ষন দিয়াৰ কাৰণে বনসংৰক্ষনৰ

* Speech not Corrected

ব্যৱস্থা কৰিব লাগিব আৰু নতুন বনৰ সৃষ্টি কৰিব লাগিব। নতুন বন সৃষ্টি কৰাৰ কাৰণে বন বিভাগত সামাজিক বনানিকৰণ বুলি এটা বিভাগ আছে। সামাজিক বনানিকৰণ বিভাগত বন বৃদ্ধি কৰাৰ কাৰণে লাখ লাখ কোটি কোটি টকা খৰচ কৰা হৈছে কিন্তু সেই অনুপাতে ইয়াক কাৰ্য্যক্ৰম কৰি তোলা হৈছে নে নাই সেইটোৰ কোনো বিশ্লেষণ কৰা হোৱা নাই। এই বিভাগটোত বহুতো দুৰ্নীতি আছে। মোৰ সমষ্টিত বিশ্বনাথত প্ৰতাপগড় মনাবাৰী চাহবাগিছাৰ ওচৰত সামাজিক বনানীকৰণে বনবৃদ্ধি কৰাৰ কাৰণে বেৰ দিলে। কিন্তু ভিতৰৰ বেৰখন চাহবাগিছাই দিয়া বেৰ। তেওঁলোকে বিল চাবমিট কৰাৰ সময়ত চাহবাগিছাই দিয়া বেৰখনো দেখুৱাই জুখি-মাখি বিলত ধৰি দিয়ে। অথচ বেৰখন বাগিছাৰ ভিতৰত পৰে। সামাজিক বনানিকৰণ বিভাগে যিবিলাক মাষ্টাৰৰোলত কৰ্ম্মী লয় তেওঁলোকক মাহে ৫১০ টকা দিয়া হয় কিন্তু মোৰ ঘৰৰ ওচৰে এজন লৰা চাবো ভূমিজক সেই একে মাষ্টাৰৰোলত কাম কৰোতে তেওঁক মাত্ৰ ২৫০ টকাকৈ দিছে। এনেকুৱা কতো নাই। গতিকে এনেধৰণৰ দুৰ্নীতি যদি ৰোধ কৰিব পৰা নাযায় তেতিয়া হলে আমাৰ জনসাধাৰণৰ যিটো আশা-আকাংখ্যা সেইটো পুৰণ নহব। বন বৃদ্ধিৰ ফলত অসমৰ অৰ্থনীতিৰ বাৰুকৈয়ে সহায় হব। সেয়েহে অসমত থকা সেই বন সম্পদ বিলাকৰ পৰা যাতে প্ৰয়োজনীয় সম্পদ সঠিক ভাৱে আহৰণ কৰিব পৰা যায় সেইটোৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। কাৰণ এই বিভাগত যিমান ভাল মানুহ আছে সিমান বেয়া মানুহ থকাও দেখা পাইছো। মই এটা উদাহৰণ দিব বিছাৰিছো যে এদিনাখন মই বন বিভাগৰ সচিব বাৰ্ম্মাৰ কমত কিবা কামত বহি আছিলো। তাত ৪।৫ জন মান বনবিভাগৰ বিষয়াও আছিল, বন সচিবে সেই বিষয়া সকলক ব্ৰহ্মপুত্ৰত যিবিলাক বালি গুৱাহাটী অঞ্চলত আছে সেই বিলাক আমি মহল কৰি দিয়াৰ কাৰণে ব্যৱস্থা কৰো কিয়নো গুৱাহাটীৰ বেচি ভাগ মানুহে এতিয়া আৰ্থ ফিলিংৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বালি ব্যৱহাৰ কৰি আছে। তেতিয়া বিষয়া সকলে ক'লে যে ব্ৰহ্মপুত্ৰৰ বালি কোনো কামত নাহে। তেতিয়াহলে তাত গেট চকিদাৰ ইত্যাদি দিয়াৰ প্ৰয়োজন হব আৰু তেতিয়া খৰচ বাঢ়িব আৰু তাৰ ফলত আমাৰ লোকচানহে হব। তেতিয়া সচিবে ১০।১২ টা মহল হলেও কৰি দিয়াৰ কথা ইচ্ছা প্ৰকাশ কৰিলে যাতে আমাৰ কেইজনমান নিবনুৱাকে অন্ততঃ তাত সংস্থান দিব পৰা হব আৰু কিছু পৰিমান হলেও অসম চৰকাৰলৈ ৰাজহ আহিব। গতিকে এনে কিছুমান বিষয়া আছে যি

সকলে কেৱল নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰে আৰু কিছুমান ভাল বিষয়া আছে তেওঁলোকে অসমৰ কথা চিন্তা কৰিছে। ৰেইলৱেৰ শ্লিপাৰ সম্পৰ্কত কব বিচাৰিছো যে আমাৰ কাৰ্বি আলংত প্ৰায় বিলাক চুৰি কাঠেই নগালেণ্ডে শ্লিপাৰ হিচাবে যোগান দিয়ে। নগালেণ্ডে শ্লিপাৰ হিচাবে ডিমাপুৰত সেইবিলাক যোগান দিয়ে। গতিকে আমি এই শ্লিপাৰ যোগান কেন্দ্ৰটো লামডিংত পাতিব লাগে। যাতে অবৈধ ভাবে কাঠ বাহিৰলৈ যাব নোৱাৰে। আৰু যিখিনি কাঠ অবৈধ ভাবে কাটিলেও বৈধ কৰা হয় সেইখিনিয়ো ভাতেই থাকিব আৰু তাৰ পৰা অসম চৰকাৰে চেল টেক্স পাব। গতিকে ডিফু লামডিং অঞ্চলত এই শ্লিপাৰ কেন্দ্ৰটো পতাৰ ব্যৱস্থা কৰিব লাগে। আন এটা কথা মই কব বিচাৰিছো যে অসমৰ এটা অংশ উত্তৰ পূবৰ অঞ্চল প্ৰায় অৰুণাচল প্ৰদেশৰ ওচৰত আছে। অৰুনাচল প্ৰদেশৰ লগত সঠিক সীমা নিৰ্দ্ধাৰিত নোহোৱাত আৰু হৈছে যদিও সংৰক্ষিত ব্যৱস্থা নথকাত অসমৰ কাঠবিলাক প্ৰায়ে অৰুনাচল প্ৰদেশৰ মানুহে কাটি লৈ যোৱা দেখা যায়। মোৰ সমষ্টিটো অসম আৰু অৰুনাচল প্ৰদেশৰ বাউণ্ডাৰিত আছে। তাত অসমৰ কাঠবিলাক চোৰাংকৈ কাটি অৰুনাচল প্ৰদেশলৈ লৈ যোৱা হয়। বনজ সম্পদ আহৰণ বা সংৰক্ষণৰ ক্ষেত্ৰত বিভাগটো কেৱল নামতহে আছে। এনেকৈ বন সম্পদ বিলাক ধ্বংস হৈ থাকিলে এতিয়া যিখিনি আছে সেইখিনিও নাইকীয়া হব। অসমত বোধ কৰো চাৰিভাগৰ তিনি ভাগ চাহ বাগিচা আছে। আজিকালি চাহ বাগিচাত বিবিলাকে খেতি নকৰে বা ভাল চাহ নোহোৱা যিবিলাক জেগা আছে সেইবিলাক ঠাইত পৰিচালক সকলে গছ ৰোৱাত আগ্ৰহী হৈছে। অৱশ্যে মোৰ সমষ্টিত যিবিলাক চিলিং চাৰপ্লাচ মাটি আছে সেইখিনি বাগানৰ মানুহৰ পৰা ঠগি ৰাখিবৰ কাৰণেও হব পাৰে। কি যিয়েই নহওক তেনেকুৱা অঞ্চল বিলাকত গছ-গছনী ৰোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু সেই বিলাক অঞ্চলত গছপুলি যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আজি নহলেও অন্ততঃ সেই বিলাক ৫০ বছৰ পিচত একোজোপা মূল্যবান গছ হব। সেই বাগান বিলাকত সাধাৰণতে চিৰিচ গছ ৰোৱে। গতিকে চিৰিচ গছ সলনি যদি তাক মূল্যবান গছ-গছনী ৰোৱে তেতিয়াহলে আজি নহলেও সেই গছৰ বিলাক ৫০ বছৰ পিচত একোজোপা মূল্যবান গছ হৈ পৰিব। গতিকে এইটো কথাৰ কাৰণে মই অনুৰোধ জনাইছো। বন্যপ্ৰাণী সম্পৰ্কত মই কব বিচাৰিছো যে আমাৰ যিবিলাক অভয়াৰণ্য আছে সেই অভয়াৰণ্য বিলাক সংৰক্ষণ কৰিলেই নহয় আমি আমাৰ পৰিবেশৰ লগত খাপ-খুৱাব পৰাকৈ আমাৰ এনেধৰণৰ যিবিলাক

বিল বা অন্যান্য ঠাই আছ সেই বিলাকবো ৰক্ষণা-বেক্ষণ দিব লাগিব। সেই বিলাকত ইকবা ধৰি বহুতো মূল্যবান গছ-গছনী বা বন্যপ্ৰাণী, চৰাই-চিৰিকতি আছে। ব্ৰহ্মপুত্ৰৰ ওচৰত ৫।৬ কিলোমিটাৰ দূৰত কিছুমান উলুৱনী আৰু ইকবাৰে পৰিপূৰ্ণ ঠাই আছে। তেনেকুৱা ঠাই বা বিল গাওঁ বিলাকৰ মাজতো বহুতো আছে য'ত কাজিৰঙাৰ হাহ বা অন্যান্য চৰাই চিৰিকতি বিলাকে থাকিবলৈ ভাল পায়। কিন্তু চিকাৰী বিলাকে ধেনু বা মোহনা গুটিৰে সেই বিলাকক মৰাৰ কাৰণে ভয় দেখুওৱাৰ কাৰণে সেই বিলাক প্ৰকৃতিৰ ধুকুৰ পৰা নাইকীয়া হৈ যাব ধৰিছে। চৰকাৰৰ অধীনত থকা তেনেকুৱা বহুত ঠাই আছে আৰু সেই ঠাই বিলাক চৰকাৰে সংৰক্ষণ কৰা ভাল হব যাতে চৰাই চিৰিকতি আৰু তেনেকুৱা ধৰণৰ বস্তু বিলাক আমি দেখিবলৈ পাও। আজি বিল বিলাক পুতি পেলোৱা দেখা গৈছে। এই বিল বিলাক সংৰক্ষণ কৰা ভাল হব নেকি যত চৰাই চিৰিকতি দেখিবলৈ পাইছো। এই খিনিতে আৰু এটা কথা কবলৈ মই বিছাৰিছো। আজি কিছু দিন আগতে অসমৰ পানপূৰৰ পৰা গমিৰিলৈ সেই অঞ্চল অভয়াৰণ্য হিচাবে দিবলৈ প্ৰস্তাৱ আছে। কিন্তু সংৰক্ষণ হোৱা নাই বিশেষকৈ শিলচৰ বিল নামে এটা ডাঙৰ বিল আছে। সেইটো নামত সংৰক্ষণ হৈ আছে, কিন্তু সম্পূৰ্ণ ভাৱে সংৰক্ষণ হোৱা নাই। যদি এই বিল বিলাক ডাক দিয়া হয় তেতিয়া চৰকাৰে কিবা এটা পাব। তেনেকুৱা ধৰণৰ আৰু যদি কৰবাত বিল আছে হয়তো সংৰক্ষণ কৰক নতুন ব্যৱহাৰ কৰক। মই ১৯৮৫ চনৰ পৰাই এই বিষয়ে কৈ আছো। এই কাম বিলাকৰ কাৰণে অনুৰোধ কৰি আহিছো আৰু যদি যুক্তি যুক্ততা থাকে তেন্তে মই ভাবো এই বিল বিলাক সংৰক্ষণ কৰিলেই ভাল হয়। এই খিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীথানেশ্বৰ বড়ো : মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে যি গ্ৰেন্ট উৎথাপন কৰিছে তাক মই সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই যি কৰ্তনৰ প্ৰস্তাৱ আনিছে সেইটোৰ মই বিৰোধিতা কৰিছো। এই প্ৰসঙ্গত মই দীঘলীয়া বক্তৃতা দিবলৈ বিচৰা নাই, কেইটা মান পৰামৰ্শ আগ বঢ়াব বিচাৰিছো যাতে বন বিভাগে গুৰুত্বৰ সহকাৰে তাক বিবেচনা কৰে। ৰিপোৰ্ট মতে অসমত দেখিছো বন বিভাগক ফৰেষ্ট বুলি কোৱা হয়। এই ফৰেষ্ট তিনি শ্ৰেণীৰ আছে। সেই কেইটা হ'ল

ৰিজাৰ্ভ ফৰেষ্ট, আনক্লাৰ্ট ফৰেষ্ট আৰু প্ৰপজদ ৰিজাৰ্ভ ফৰেষ্ট। এই তিনি শ্ৰেণীৰ ফৰেষ্ট আছে। তাৰ ভিতৰত ৰিজাৰ্ভ ফৰেষ্ট ১৭২৭২'৫৮ বৰ্গ কিলো মিটাৰ, আনক্লাৰ্ট ফৰেষ্ট ৩৭০'৭৮ বৰ্গ কিলোমিটাৰ আৰু প্ৰপোজদ ৰিজাৰ্ভ ফৰেষ্ট ১০৬৩'৮১ বৰ্গ কিলোমিটাৰ এৰিয়াত পৰে। মুঠতে অসমৰ বন বিভাগৰ ৩০৮০৭'৫৭ বৰ্গ কিলোমিটাৰ ফৰেষ্ট আছে। কিন্তু যদিও হিচাবত এইটো আছে কিন্তু দেখা যায় বহুত বনাঞ্চল বেদখল হৈ আছে। তাত মানুহৰ বসবাস হৈছে। এতিয়া দেখিবলৈ পাইছো অসমৰ ৰেকৰ্ড মতে ৩০৪ টা ৰিজাৰ্ভ ফৰেষ্ট আছে আৰু ফৰেষ্ট ভিলেজ ৫২৪ খন আছে। এইটো অসমৰ ৰেকৰ্ড। কিন্তু ইয়াত অনুপ্ৰবেশকাৰী আছে। তাত থকা জনসংখ্যা ১ লাখ ৫০ হেজাৰ ২ শ ৩৩ জন দেখিবলৈ পাইছো। ১৯৮২-৮৩ চনত ৫২ হেজাৰ ৯ শ ৩ জন দেখিবলৈ পাইছো। আনহাতে ১৯৮২-৮৩ চনত অনুপ্ৰবেশকাৰী ৭০ হেজাৰ ২ শ ৬৩ জন দেখিবলৈ পাইছো। কিন্তু যথেষ্ট বেছি হব। ১ লাখ ৩১ হেজাৰ ৮ শ ৯৭ বৰ্গ কিলোমিটাৰ মাটি বেদখল হৈ আছে। এতিয়া দেখা যায় বন বিভাগে সংস্থাপিত কৰা ডেৰ লাখতকৈও ওপৰ হব। বেদখল কৰা ৭০ হেজাৰো ওপৰ, বোধহয় ১ লাখতকৈ বেছি মানুহে বেদখল কৰিছে। গোটেই বন বিভাগৰ যি কৰ্ম্মচাৰী আছে তাৰ লগত যদি তুলনা কৰা যায় বহুত বেছি মানুহে বেদখল কৰা দেখা যাব। এই বেদখল-টো অসমৰ কাৰণে এটা সমস্যা হৈ পৰিছে। বেদখলকাৰীক উচ্ছেদ কৰা সম্ভৱো নহয় আৰু সংস্থাপন কৰাটোও সম্ভৱ নহয়। বৰ্ত্তমান অসমত যি অস্থিৰ অৱস্থাৰ সৃষ্টি হৈছে আবছুৰ আন্দোলনকে আদি কৰি বিভিন্ন সংগঠনৰ আন্দোলনৰ লগতে সন্ত্ৰাসবাদী সকলে এই বনাঞ্চলত আশ্ৰয় লয়। যি সকলে বনাঞ্চল বেদখল কৰি আছে তেওঁলোকক সংস্থাপন নকৰাৰ কাৰণে পোলিটিকেল অৰগেনাইজেশ্বনৰ মানুহে এই বিলাক কৰি আছে। সেই কাৰণে মই আকৌ আমি এডজাষ্টমেণ্ট কৰাৰ প্ৰয়োজন হৈছে। যি সকলে বেদখল কৰিছে তেওঁলোকক উলিয়াই দিব পৰা নাযায়। তেওঁলোকক সংস্থাপন কৰিব লাগে তাৰ সমান্তি ৰেভিনিউ ডিপাৰ্টমেণ্টৰ খন আনক্লাৰ্ট ফৰেষ্টলৈ, প্ৰপোজদ ৰিজাৰ্ভ ফৰেষ্টলৈ কনভাৰ্ট কৰিব লাগে। এই বিবিলাক ফৰেষ্ট আছে তাৰ কোনো ৰেকৰ্ড নাই। স্বাভাৱিকতে সেইটো এডজাষ্টমেণ্ট কৰিলে অসুবিধা নাথাকিব। আনক্লাৰ্ট ফৰেষ্ট, প্ৰপোজদ ৰিজাৰ্ভ ফৰেষ্টক ৰিজাৰ্ভ ফৰেষ্টলৈ কনভাৰ্ট কৰিব লাগে। এইটো কৰি বেদখলকাৰী সকলক সংস্থাপন দিব লাগে আৰু যদি

সম্ভৱপৰ নহয় সেই অঞ্চলৰ কিছু অংশ বনাঞ্চল যি বিলাকে দখল কৰি আছে তেওঁলোকক সংস্থাপন কৰি দিব দিনৰ কাৰণে যাতে বেদখল কৰিব নোৱাৰে তাৰ কাৰণে নীতি নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰিলে ভাল হব বুলি মই ভাবো। বেদখলকাৰী সমস্যাটো অতি সোনকালে সমাধান কৰিব নোৱাৰা বিষয় বুলি মই ভাবো। কোক্ৰাঝাৰ জিলাত এনেকুৱা বহুতো বেদখল হৈছে। তাত কিছুমান ফৰেষ্ট ভিলেজও আছে। কিন্তু আনঅথ'ৰাইজ ভিলেজ বহুত আছে। তাত সংস্থাপন দিব পৰা নাই। গতিকে কোক্ৰাঝাৰ জিলাৰ সমস্যাই কঠিন ৰূপ ধাৰণ কৰিছে। এইটো সুস্থিৰ ভাৱে চিন্তা চৰ্চা কৰি চাব লগা হৈছে। তাৰ লগত আৰু এটা কথা লক্ষ্য কৰিব লাগিব। লেণ্ড চেটেলমেণ্টত ঘৰ বান্ধিবৰ কাৰণে আধা বিঘাৰ পৰা এক বিঘা মাটি দিয়াৰ ব্যৱস্থা আছে। তাৰোপৰি ৰেভিনিউ ডিপাৰ্টমেণ্টৰ ভূমিহীন খেতিয়কক ৯ বিঘালৈকে দিয়াৰ ব্যৱস্থা আছে। কিন্তু বন বিভাগৰ ব্যৱস্থা মতে ৩০/৩৫ বিঘালৈ মাটি দিব পৰা ব্যৱস্থা আছে। এইবিলাক ব্যৱস্থা থকাৰ কাৰণে তেওঁলোকে ৰাজহ বিভাগত মাটি থকাতকৈ বন বিভাগৰ লগত যোগাযোগ কৰে কিয়নো বন বিভাগৰ পৰা তেওঁলোকে বেছি মাটি পায়। সেই কাৰণে মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই এটা কথা কৈছে যে এনে কিছু মান মানুহৰ একোজনৰে মাটি প্ৰায় ৫০/৬০ বিঘাকৈ আছে আৰু সেই মাটি তেওঁলোকে বেদখল কৰি আছে। এই ক্ষেত্ৰত মই ভাবো যে বনা-ঞ্চলৰ বনগাওঁ সমূহত যি সকল মানুহক মাটি দিয়া ব্যৱস্থা আছে সেইটো সীমিত কৰি আনিব লাগে যাতে তেওঁলোকে বেছি মাটি দখল কৰিব নোৱাৰে আৰু চিৰদিনৰ কাৰণে বনগাওঁ সমূহত হৈ থকা দুৰ্নীতি আৰু অসোঁৱাহ সমূহ বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক এনে মাটি দিয়াৰ ব্যৱস্থাটো কমাই দিব লাগে আৰু তেওঁলোকক প্ৰয়োজন হলে আন ঠাইলৈ স্থানান্তৰ কৰি পুনৰ সংস্থাপন দিয়া ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি আমাৰ বনাঞ্চল সংৰক্ষন কৰাৰ কাৰণে মই বিশেষকৈ ভাবো যে গোটেই বনাঞ্চলৰ চাৰিওফালে এটা ৰাস্তা নিৰ্ম্মান কৰাৰ ব্যৱস্থা লব লাগে! কিয়নো বনাঞ্চলৰ এনে কিছুমান ঠাই আছে যিবোৰলৈ সহজে পহৰাদাৰী লোক যাব নোৱাৰে। যদি বনাঞ্চ-লৰ চাৰিওফালে একোটা ৰাস্তা নিৰ্ম্মান কৰা হয় তেনেহলে বন বিভাগৰ পহৰাদাৰী সকলে মনে আৰু সুকলমে পহৰা দিয়া কাম কৰিব পাৰিব। এই খিনিতে মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব

বিচাৰো যে বন বিভাগৰ অধিনত সামাজিক বনানিকৰণৰ বাবে যিটো শাখা আছে সেই শাখাটোৰ জৰিয়তে আৰু সামাজিক বনানিকৰণৰ জৰিয়তে আমি যথেষ্ট পৰিমানৰ ৰাজহ উলিওৱাৰ বাবে চেষ্টা কৰিব পাৰো। সেই আচনিৰ অধিনত আমি কিছুমান কোমল গছৰ খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইবোৰ যেনে বাহৰ পৰা কাগজ তৈয়াৰ কৰিবৰ কাৰণে কাগজ কলক বাহ যোগান ধৰিব পৰা হব আৰু পলিষ্টাৰ উদ্যোগৰ কাৰণে বিচ্‌কো ইয়াৰন্‌ তৈয়াৰ কৰিব পাৰিব। তাৰোপৰি নদীৰ পাৰত ঝাও গছ ৰোৱাৰ ব্যৱস্থা কৰিব পাৰি যাৰ পৰা খৰি উৎপাদন কৰি এটা ৰাজহ উলিওৱাৰো ব্যৱস্থা কৰিব পৰা যায়। সেই কাৰণে বহুতো গছৰ গুটিৰ পৰা এডিবোল অইল উৎপাদন কৰিব পাৰি যাৰ পৰা চকলেট আদি তৈয়াৰ কৰা ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়। সেই কাৰণে তেনেকুৱা ধৰণে আমি বনাঞ্চলৰ পৰা ব্যৱসায়িক ভিত্তিত লাভবান হব পৰাকৈ কিছুমান আচনি হাতত লব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ বনাঞ্চল সমূহত বৰ সঘনে চোৰাং চিকাৰীয়ে চিকাৰ কৰা দেখা যায় আৰু তাৰ ফলত বন বিভাগৰ লগতে ৰাজ্যিক চৰকাৰে বহুতো মূল্যবান জীৱজন্তু হেৰুৱাব লগা হয়। এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে মানুহৰ যিটো চিকাৰ কৰা প্ৰবৃত্তি সেইটোক কোনেও বাধা দিব নোৱাৰে আৰু তাৰ কাৰণে নানা পহৰা আদিৰ ব্যৱস্থা কৰিলেও এই চোৰাং চিকাৰ একেবাৰে বন্ধ কৰিব পৰা নাযায়। সেই কাৰণে বনাঞ্চলত চোৰাং চিকাৰ বন্ধ কৰাৰ কাৰণে আজি আমি যেনেকৈ টাইগাৰ প্ৰজেক্টৰ ব্যৱস্থা কৰিছো সেই ধৰণে হৰিণা, গাহৰি আদি বিস্তৃত ধৰণে পোহাৰো ব্যৱস্থা কৰিব লাগে আৰু সেই বনাঞ্চল বোৰত বছৰেকত এবাৰকৈ কমেও ২-৩ দিনৰ বাবে মানুহক চিকাৰ কৰাৰ অনুমতি দিব লাগে আৰু তাত এটা ৰাজহৰ ব্যৱস্থা কৰিব লাগে। আমি যদি এনে ধৰণে আমাৰ ৰাজ্যত কিছুমান বনাঞ্চলত এনে আচনি কিছুমান হাতত লও তেনেহলে এই বনাঞ্চলৰ পৰা এটা ৰাজহৰ পথ ওলাব আৰু তাৰ লগে লগে বিদেশৰ ঠাইত চিকাৰ কৰিবলৈ দিয়া হব তাৰ ওচৰে পাজৰে বহুৰৰ এটা সময়ত ভাল হোটেল ব্যৱসায়ৰো পথ ওলাব। এনে ব্যৱস্থা আমি জাৰ্মানি আদি ৰাষ্ট্ৰত দেখিবলৈ পাইছো আৰু তাত সেইবোৰ কৃতকাৰ্য্য হোৱাও দেখিবলৈ পোৱা যায়। সেই কাৰণে আমাৰ ইয়াতো এনে কিছুমান হৰিণা, গাহৰি আদিৰ বনাঞ্চল গঢ়ি তুলি তাৰ পৰা ৰাজহ উলিওৱাৰ লগে লগে চোৰাং চিকাৰ বন্ধ কৰাৰো এটা ব্যৱস্থা উলিয়াব পাৰি নেকি সেই বিষয়ে চিন্তা

চৰ্চা কৰি ব্যৱস্থা হাতত লব লাগে। এইখিনিতে মই মাননীয় সদস্য শ্ৰীপদ্ম নাথ কৈৰী ডাঙৰীয়াই উল্লেখ কৰা এটা কথাৰ প্ৰতি পুনৰ চৰকাৰৰ দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছো যে আমাৰ যি বোৰ খাল বিল এনেয়ে পৰি আছে সেই বিলাক বন বিভাগে লব লাগে আৰু তাত বিৰিনা, ইকৰা আদি সংৰক্ষন কৰাৰ ব্যৱস্থা কৰি তাৰ পৰা খেৰ আদি উলিওৱাৰ লগতে সেই খাল বিল বোৰত বিবোৰ মূল্যবান চৰায়ে বাঁহ লব সেইবোৰ সংৰক্ষন কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ পৰা আমাৰ ৰাজহ পোৱাৰ লগে লগে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰতো আমি সফল হব পাৰিম। গতিকে এই কথা খিনি বিশেষ ভাবে চিন্তা চৰ্চা কৰিবলৈ অনুৰোধ জনাই বন বিভাগৰ মন্ত্ৰী মহোদয়ে এই বিভাগৰ যি দাবী মঞ্জুৰী উৎথাপন কৰিছে তাক সমৰ্থন কৰি আৰু বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে তাৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছো।

* শ্ৰীকুল বাহাদুৰ ছেত্ৰী : মাননীয় উপাধ্যক্ষ মহোদয়, এই বনাৰীকৰন আৰু জীৱজন্তৰ শিতানৰ ওপৰত আমাৰ দলৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই কবলৈ লৈছো। আজিৰ দিনত বৰ্ত্তমান বন বিভাগৰ যি অৱস্থা হৈছে এই অৱস্থাটো চিন্তনীয় বিষয় হৈ পৰিছে। যাই যাই ৰাষ্টাৰ ওচৰত গছ গছনি দেখিবলৈ পালেওঁ ভিতৰে ভিতৰে কিন্তু ভহিলং হৈছে। দেখাত যদিও গছ কটা বন্ধ আছে কিন্তু ভিতৰে ভিতৰে গোটেই বননি শেষ। এইটো ভাবিবলগীয়া কথা হৈছে। বন বিভাগৰ গোটেই বিলাক কৰ্মচাৰী বেয়া বুলি কবলৈ নাজাও কিন্তু বেছি ভাগৰ ওপৰতে সন্দেহ আছে কাৰণ যি বিলাক ঠাইত গেট নাই গাড়ীও যাব নোৱাৰে সেই বিলাক ঠাইৰ পৰা কাঠ কেনেকৈ চুৰি হয় তাত সন্দেহৰ থল আছে। অসমৰ ওচৰে পাজৰে থকা ৰাজ্য বিলাকলৈ অসমৰ হাবিৰ গছ সৰকাই নি সেই দেশত মাৰ্কিং কৰি আকৌ সেই গছকে অসমলৈ অনা হয় নেকি এই ধৰণৰ প্ৰস্তাৱ আমি কেবা বাৰো উৎথাপন কৰিছো। অসমৰ ইমুৰৰ পৰা সিমুৰলৈ আমি দেখিছো বহুত গছ কাটি তাৰ কুন্দাবিলাক ৰাষ্টাৰ কাষতে পেলাই ৰাখিছে আৰু কিছু মান পচিও গৈছে বিশেষকৈ ডিগবৈ তুমতুমাত দেখিবলৈ পাইছো। এই বিষয়ে মই সদনত প্ৰশ্নও উৎথাপন কৰিছো। মই ভাবো এই কাঠ বিলাক কাবোবাক বিক্ৰী কৰি দি চৰকাৰৰ ভবাল টনকিয়াল কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে

* Speech not Corrected.

যদি চাৰলৈ যায় এই বিলাক দেখিবলৈ পাব। এই বিলাক নিবিদা আহ্বান কৰি অতি সোনকালে অকচন চেল কৰাৰ ব্যৱস্থা কৰিব লাগে। ডিগবৈত এদেকুৱা কুন্দা বহুত আছে। ফিলেওবাৰীৰ ফালে সোমাই গলে এইবিলাক দেখিবলৈ পোৱা যায়। এইবিলাক বছৰৰ পিচত বছৰ ধৰি পৰি আছে আৰু কিছুমান পচিও গৈছে। আমি দেখিবলৈ পাইছো বন বিভাগত চোৰাং ব্যৱসায় বাঢ়ি গৈ আছে এইটো বৰ ডাঙৰ কথা। আমাৰ যি আপুৰুগীয়া এশিঙীয়া গঁড় ভাৰু চোৰাং চিকাৰী বিলাকে নিধন কৰা আমি বাতৰি কাকতত পাই থাকো কিন্তু আমাৰ যদি আন্তৰিকতা থাকে কৰ্মচাৰীসকল যদি নিষ্ঠাবান সেৱক হয় এই চোৰাং চিকাৰবিলাক কমি যাব। বন্য প্ৰাণী বধ নোহোৱা হব। (কলৰ অভাৱৰ বাবে বেল বাজে)

উপাধ্যক্ষ মহোদয়, কাজিৰঙা ৰাষ্ট্ৰীয় পথৰ ওচৰে পাজৰে সৰু সৰু কিছুমান জুপুৰী সাজিছে সেইটো অপুনিও দেখিব আৰু মন্ত্ৰী মহোদয়েও দেখিব। এইবিলাকৰ কাৰণে আমাৰ যিবিলাক পশু বা জীৱ জন্তু আছে সেইবিলাকৰ ৰক্ষণা বেক্ষণ নাইকীয়া হৈছে। আমি শুনিবলৈ পাইছিলো যে কাৰ্বিআংলঙৰ ওখ পাহাৰত বান পানীৰ সময়ত এই জীৱ জন্তু বিলাকে আশ্ৰয় লব পৰাকৈ ওখ ঠাইৰ ব্যৱস্থা কৰিব কিন্তু কাৰ্য্যতহে কি হ'ল আমি নেজানো।

কাজিৰঙা ভিতৰ অঞ্চলতো ওখ ভেটি কৰা হৈছে। কিন্তু প্ৰয়োজন সাপেক্ষে সেই ওখ ভেটি হোৱা নাই ফলত পানীৰ সময়ত জীৱ জন্তুবিলাক বাহিৰলৈ আহে আৰু চোৰাং চিকাৰীয়ে হত্যা কৰে বুলি আমি বাতৰি কাকতত পাই আছো। এইবিলাকৰ ৰক্ষণা বেক্ষণ দিয়াৰ বিশেষ প্ৰয়োজন হৈছে। আমি বনজ সম্পদ ৰক্ষা কৰিবলৈ হলে যিখিনি কাৰ্য্য ব্যৱস্থা লোৱা দৰকাৰ সেইখিনি দৰকাৰ। বহুত সময়ত দেখিছো ঠিকাদাৰবিলাকক গছ কাটিবলৈ দিয়া হয় কিন্তু গছ কাটোতে তলত যি বিলাক পুলি থাকে সেই বিলাক যে ধ্বংস হয় তাৰ বাবে লক্ষ্য কৰা নহয়। সেয়ে ঠিকাদাৰ সকলক যেতিয়া গছ কাটিবলৈ দিয়া হয় তেতিয়াই নিৰ্দ্দেশ দি থব লাগে যাতে তেওঁলোকে গছ পুলি ধ্বংস নকৰে। মাননীয় সদস্য শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই এটা বৰ ভাল পৰামৰ্শ দিছে। তেখেতে বনাঞ্চলৰ মাজত যি বিলাক ধান খেতিৰ উপযোগি মাটি আছে সেইবিলাক এৰি দিয়াৰ কথা কৈছে। এতিয়া বেদখলৰ যিটো প্ৰকোপ চলিছে তাতৈ চায় এইবিলাক মাটি এৰি খেতি নোহোৱা ভাল মাটি বন বিভাগে তেওঁলোকৰ

মাটিৰ লগত পৰিবৰ্ত্তন কৰি লোৱাই ভাল হব। মোৰ সমষ্টিত দুবছৰ আগতে অৰ্থাত ১৯৮৬ চনৰ ডিচেম্বৰ মাহত প্ৰায় ৩০/৩২ বছৰ বহি থকা ৪নং ময়া কোটা আৰু ২নং কায়া কোটা ৰাজহ গাওঁৰ পৰা প্ৰস্তাৱিত ফৰেষ্টবুলি সময় ও নটিচ নিদিয়াকৈ ৮৪ টা দুখীয়া পৰিয়ালক উচ্ছেদ কৰিলে। ই বৰ বেদনাদায়ক কাহিনী। মাত্ৰ ৪/৫ বিঘা মাটি লৈ তেওঁলোকে খেতি কৰি আছিল এইটো ডুম ডুমা সংমণ্ডলত পৰে মাঘেৰিটা সমষ্টিত। তেওঁলোকৰ এতিয়া পানীত হাহঁ মচৰা অৱস্থা। গৰু ছাগলী যি আছিল সকলো বিক্ৰী কৰি খালে। শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়া ৰাজহ মন্ত্ৰী থাকোতে, মই তেখেতক ধন্যবাদ জনাইছো কাৰণ এইখন ৰাজহ গাওঁ নে বন গাওঁ স্পষ্ট মতামত বিছাৰি বন বিভাগলৈ কেইবাবাৰো লিখিছে। এই বাইজে স্মাৰক প্ৰত্ৰ দিছে তাৰ ওপৰত প্ৰতি বেদনো বিছাৰিছে কিন্তু আজিলৈকে একো নহল। এতিয়া আৰক্ষৰা চাহাবেও লিখিছে কিন্তু আজিলৈকে একো নহল। এই দুখীয়া মানুহখিনিৰ পাপৰ ভাগ কোনে লৈছে নেজানো। যিজনে লৈছে তেওঁ চৰম দুৰ্দশাত ভূগীব লাগিব কাৰণ ভগবান, ইশ্বৰ আছে। যত সদায় চোৰাং ব্যৱসায় চলি আছে কোটি কোটি টকা চৰকাৰে লোকচান কৰিছে, চোৰাং চিকাৰীৰ লগত হলিগলি কৰি আছে সেইটো বিভাগেই আকৌ এই গৰীব দুখীয়া পৰিয়াল কেইটাক উচ্ছেদ কৰিছে। ধৰ্ম আছে যেতিয়া নিশ্চয় ভূগীব লাগিব। এই দুখীয়া লোক সকলক আলাই আথানি কৰা সহজ কথা নহয় তেওঁলোকে মাত্ৰ ৪/৫ বিঘা মাটি লৈহে খেতি কৰি আছিল। কোনো জাননী নিদিয়াকৈ উচ্ছেদ কৰিছে। যিজন বিষয়াই এই কামটো কৰিছে তেওঁ নিশ্চয় ঈশ্বৰৰ ওচৰত সাক্ষী দিব লাগিব। গতিকে আমাৰ এই দুখীয়া মানুহ খিনিক যিবিলাকে গড়া খহনীয়া আৰু বানপানীৰ কবলত পৰি হাৰি বননিয়ে সোমাই আছে, সেই মানুহ খিনিক যাতে মাটিৰ কিছু বন্দোৱস্তী দিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নহলে তেওঁলোকক যদি ডুমডুমাৰ পৰা খেদাযায় ডিব্ৰুগড় পাব, মাজুলীৰ পৰা খেদিলে যোৰহাট পাব। গতিকে এই দুখীয়া মানুহ খিনিক যাতে আলাই আথানি কৰা নহয় সেই বিষয়ে বিশেষ গুৰুত্ব দিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীআফজালুৰ ৰহমান : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী মজিৰুদ্দিন আহমেদ মহোদয়ে যি কৰ্ত্তন প্ৰস্তাব আনিছে তাত মই সমৰ্থন

---

* Speech not Corrected.

জনাই হুআষাৰ কৰলৈ বিচাৰিছো।

প্ৰশ্নোত্তৰ কালত মাননীয় বন মন্ত্ৰী মহোদয়ে শ্লিপাৰ চাপলাই দিয়া প্ৰসংগত এটা কথা কৈছিল যে, কাঠ ক'ৰ পৰা আহে সেইটো আমাৰ বিষয় নহয়। মেঘালয়া বা অৰুনাচলৰ পৰা আহিব পাৰে। কিন্তু মন্ত্ৰী মহোদয়ে তাৰ ব্যৱস্থা লব পাৰে। ব্ৰহ্মপুত্ৰৰ সিপাৰৰ পৰা নিদাৰপুৰ হৈ প্ৰতিদিনে হাজাৰ হাজাৰ শ্লিপাৰ মেঘালয়ালৈ গৈ আছে মন্ত্ৰী মহোদয়ে জানেনে? মেঘালয়াত এজন ঠিকাদাৰ আছে। তেওঁৰ নাম জলেশ্বৰ সিং। তেওঁৰ ঘৰৰ আগত হাজাৰ হাজাৰ শ্লীপাৰ ভৰ্ত্তী হৈ আছে। নদীৰ উত্তৰ পাৰে থকা কচুগাওঁ, হটুগাওঁ লৈ কাঠ বিলাক নি, তাত বনোৱা হয়। ফৰেষ্ট ৰেঞ্জাৰ, পুলিচ অফিচাৰ আৰু বন্দুকধাৰী পুলিছে গাৰ্ড দি এই কাঠ বিলাক তালৈ লৈ যায়। আৰু সেই কাঠ বিলাকত এম, ই, চি আৰু জি, ডি, চিৰ বিষয়াৰ উপস্থিতিত ফৰেষ্ট ৰেঞ্জাৰে হাতুৰীৰে চিল মাৰি মেঘালয়াৰ কৰে। অসম চৰকাৰৰ চাৰ্কোলাৰ থকা স্বত্তেও এই শ্লিপাৰৰ চোৰ্চ ক'ত আছে এই খিনি জনাৰ প্ৰয়োজনীয়তা আমাৰ চৰকাৰে বোধ নকৰে। জি, ডি, চিৰ শাল কাঠ বুলি লিখি দিয়ে। যদি আমি জি, ডি, চিত চাবলৈ যাও তেতিয়া হলে তাত দেখিম শাল কাঠটো নায়েই শাল গছৰ মূঢ়া কেইটাও দেখিবলৈ নাপাও। সকলো নম শাল গছ। কিন্তু বঙাইগাওঁৰ ফালে যদি চায় দেখিব শাৰী শাৰী শাল গছ আছে। মই উদাহৰণ হিচাবে কওঁ, বঙাই গাওঁ ফেৰীঘাটত যদি এক চি এফ টি শাল কাঠ ৫ টকাত বিক্ৰি হয়, সেই শালকাঠেই উত্তৰ পাৰৰ পৰা আহি বাটত ২০ টকাকৈ এক চি, এফ, টি বিক্ৰি হয়। প্ৰতি দিনে ট্ৰাক ভৰ্ত্তী কৰি লৈ গৈয়েই আছে। সেই বিলিকে আকৌ মেঘালয়াৰ তিনি নম্বৰ দি চাপলাই দিয়া হয়। এনেকুৱা ক্ষেত্ৰত আমি কেৱল চাপলাই দিয়াটোকেই দায়িত্ব বুলি ভাবো। তেতিয়া হলে কেনেকৈ চলিব? বন পৰা বস্তুটো সংগ্ৰহ কৰা হৈছে বন পৰা কেনেকৈ আহিছে সেই কথাটো যদিআমি জনাটো দায়িত্ব বুলি নাভাবো আৰু আমাৰ নিজৰ সম্পদ যদি মেঘালয়া আৰু অৰুনাচল সম্পদ বুলি আহে তেতিয়া হলে আমাৰ সম্পদ উদং হৈ যাব। এনে এটা ক্ষেত্ৰতেই, লক্ষীমপুৰ এ, জি, পি আঞ্চলিক প্ৰেচিডেণ্ট আৰু এটা দলৰ মাজত গুলীয়া গুলি চলিছিল। পুলিচ আহিল, ৰেঞ্জাৰ, ডি, এফ' সকলো আহিল। কিন্তু তাৰ পাচত দেখা গ'ল চিনচাৰ নাই। খবৰ কৰোতে শুনিলো মেঘালয়াৰ বস্তু মেঘালয়ালৈ গ'ল। অধ্যক্ষ মহোদয়, এটা এলোটমেন্ট দিওতে

বা বিল পেমেণ্ট কৰোতে যদি সেই সম্পদ ক'ব পৰা আহিছে জানিবলৈ অধিকাৰ থকা আইন প্ৰয়োগ নকৰাকৈ যদি এনে ভাবে চলি থাকে, তেন্তিয়া হলে আমাৰ সম্পদ যাব। দ্বিতীয়তে মই শিমলু গছৰ কথা কবলৈ বিচাৰিছো। আমাৰ বন বিভাগৰ যি থন ফৰ্ম মেজুৰেন্স বৰ্ত্তমান আছে সেই থন অতি ক্লামজী। বৃটিচৰ যুগতে বনোৱা আইন থন এতিয়াও চলি আছে। বন বিভাগৰ পট্টাৰ মাটিত থকা গছ বিলাকো ৰেঞ্জাৰ ডি, এফ, ও আৰু চাৰ্কোল অফিচাৰৰ জইণ্ট ইনকুৱেৰী হোৱাৰ পাচতহে পাৰমিট দিয়ে। এই প্ৰচেচটো অতি দীঘলীয়া হয়। সেই কাৰণেই মানুহে ইল্লিগেল ফিলিং আনিব লগাত পৰে। আজি প্ৰায় ১৫।১৬ দিন মান আগতে লক্ষীমপুৰ ৰেঞ্জাৰে ১০ হাজাৰ চি, এফ, টি আনিছে অতি কম ৰয়েলিটি দি। তাতো মানুহৰ ইল্লিগেল ফিলিং হয়। এডাল শিমলু গছৰ পৰা বছৰি ৪০০ টকা আয় পায়। এই গছ বিলাক মেচিওৰড হলে বিক্ৰি কৰে। এই গছ বিলাক কাটি দিওতে এক চি, এফ, টি ১০ টকাকৈ দিয়ে। কিন্তু মেচ ফেক্টৰীত বিক্ৰি কৰোতে এক, চি, এফ, টি ৩০ টকাকৈ বিক্ৰি কৰে। এই বিলাক কাৰণতেই মানুহৰ ইল্লিগেল ফিলিং বাঢ়ি গৈছে। এই বিলাক যাতে বন্ধ কৰিব পৰা যায় তাৰ কাৰণে কি ব্যৱস্থা লব পাৰি মন্ত্ৰী মহোদয়ে গুৰুত্ব আৰোপ কৰিব বুলি মই আশা ৰাখিছো।

গতিকে এনেকুৱা এটা ব্যৱস্থা কৰিব লাগে যাতে নিজৰ পট্টাৰ মাটিত হোৱা শিমলুগছ কাটি বিক্ৰী কৰাৰ কাৰণে ৰেঞ্জ অফিচৰ পৰাই অনুমতি দিব পাৰে। এইটো ব্যৱস্থা কৰিব পাৰিলেই অবৈধ্য ভাৱে গছ কটাটো বন্ধ হব আৰু গছৰ মালিকেও নিজৰ প্ৰাপ্য দিহি আদায় কৰি লব পাৰিব আৰু ঠিকাদাৰ সকলে গছৰ মালিকক ঠগাই বেছি মুনফা মেচ ফেক্টৰিৰ পৰা লৈ থাকিব নোৱাৰিব। এতিয়া ধুবুৰী মেচ ফেক্টৰিত যি বিলাক শিমলু-গছৰ যোগান ধৰা হৈছে সেই বিলাক অবৈধ ভাৱে কটা গছ। ঠিকাদাৰে গছ বিলাক কটাই নদীত পেলাই দিয়ে আৰু নদীয়েদি লৈ যায় কাৰণ নদীত গছ ধৰাৰ কোনো ব্যৱস্থা নাই। যি বিলাক শিমলু গছ নদীয়েদি লৈ যায় সেই বিলাকৰ জোখ মাফৰো একো ব্যৱস্থা নাথাকে। চি পি দিয়াৰ পিচত হামাৰ মাৰি দিয়ে এই দৰে হামাৰ মাৰি দিলেই ইলিগেল গছ লিগেল হৈ পৰে। তাৰ পিচত আৰু সেই বিলাক গছ চিজ কৰাৰ কোনো ব্যৱস্থা নাই। যি বিলাক কাঠৰ জুলপতে গোৱালপাৰাত এনেকুৱা এটা কেচ হৈ গৈছে। যি বিলাক ... যাৰা হোৱা নাছিল।

কেচ চিগালৈকে কাঠ বিলাক মেচ ফেক্টৰিত অব্যৱহৃত ভাৱে পচি গল। আমাৰ চৰকাৰৰ এই বিলাক কথা চোৱা চিতা কৰাৰ দায়িত্ব আছে, ইয়াৰ কাৰণে উপযুক্ত আইন প্ৰনয়ন কৰাৰ দায়িত্ব আছে। আইন প্ৰনয়ন কৰি ৰাইজে অলপ পৰিশ্ৰমৰ ভিতৰতে যাতে আইনসংগত ভাৱে নিজৰ পট্টাৰ মাটিৰ গছ কাটিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে যদি এই ব্যৱস্থাটো কৰিব পৰা হয় তেনেহলে ইলিগেল ফলিং নহব বুলি ভাবো। সেই কাৰণে মই ভাবো যে আমাৰ বৰ্ত্তমানৰ বন মন্ত্ৰী এজন অভিজ্ঞ। সেই কাৰণে তেখেতে এই ক্ষেত্ৰত কিবা সংশোধন আনিব পাৰিলে আমি ভাল পাম।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিছাৰিছো চিজ কৰা কাঠৰ সম্পৰ্কত। কিছুমান মানুহে কাঠ ইলিগেল ফলিং কৰে। সেই বিলাক কাঠ বিভাগীয় বিষয়াই নি জমাই থয়। সেই কাঠ বিলাক সেই দৰেই জমাই থওঁতে থওঁতে তাতে পচি যায় অথচ কেচ নিষ্পত্তি নহয়। এই দৰে কেচ নিষ্পত্তি নোহোৱাৰ কাৰণে কাঠ বিলাক অকচৰ কৰিব নোৱাৰে আৰু তাৰ ফলতেই বহুত বিলাক কাঠ পচি পচি নাইকীয়া হৈ ধৰিছে। কেচ নিষ্পত্তি নোহোৱাৰ কাৰণেই বহুতো মাননীয় সদস্যই কোৱাৰ দৰে বহুত বিলাক কাঠৰ কুণ্ডা জমা হৈ আছে। সেই কাৰণে মই এটা কথা কব খোজো যে কাঠ বিলাক চিজ কৰাৰ পিচত কেচ নিষ্পত্তি হওকেই বা নহকেই সেই বিলাক অকচন কৰি বিক্ৰী কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। পিচত যেতিয়া কেচ নিষ্পত্তি হব তেতিয়া সেই টকাটো যাকে দিবলগীয়া হয় তাকেই দিয়াৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থা নকৰিলে প্ৰত্যেক বছৰেই হাজাৰ হাজাৰটা চিজ কৰা কুণ্ডা আহিব আৰু সেই বিলাক যতেই ততেই পচি যাব। সেই কাৰণেই এনে ধৰণৰ এখন আইন কৰিব লাগে যাতে কেচ নিষ্পত্তি হওকেই বা নহওকেই চিজ কৰা কাঠ বিলাক অকচনত বিক্ৰী কৰিব লাগে। মই ইয়াকে কৈ শেষ কৰিছো।

শ্ৰীআবদুল জেলিল ৰাগিবি: মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগ আৰু বন্য প্ৰাণী সম্পৰ্কীয় দাবী মঞ্জুৰী সদনত উৎপ্ৰাপিত হৈছে আৰু তাৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে মই এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থণ কৰিছো আৰু তাৰ পৰিপ্ৰেক্ষিতত দুআষাৰমান কথা কব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বন, বনজ সম্পদ আৰু বন্য প্ৰাণী সম্পৰ্কে ইয়াৰ আগতেও বিস্তৃত ভাৱে আলোচনা হৈ গৈছে। আমি সকলোৱেই

অভিযোগ কৰিছো যে অসমৰ বাইজেই, অসমীয়া মানুহেই নিজৰ ৰাজ্য খনৰে হাবি জংঘল বিলাক কাটি শেষ কৰি পেলাইছো। অসমৰ মানুহে অসমৰ বনজ সম্পদ নষ্ট কৰিছে, অসমৰ মানুহে বন্য প্ৰাণী হত্যা কৰিছে। গতিকে দোষ নিজৰ গাতেই পাতি লব লাগিব। আমি আমাৰ নিজৰ ঘৰ খনকে নিজেই নষ্ট কৰি পেলাইছো, ধ্বংশ কৰি পেলাইছো। মাননীয় উপাধ্যক্ষ মহোদয় মই কিবা কবলৈ উঠিলেই মোৰ 'চেড' মনত পৰে। "ইস ঘৰ কো আগ লগ গই ইস ঘৰ কে চিৰাগ সে।" "ঘৰখন চাকিৰ জুইৰেই জলি চাই হৈ গল"। গতিকে আমাৰ ৰাজ্যখন আমিয়েই নষ্ট কৰিছো, বৰবাদ কৰিছো. সৰ্বনাশ কৰিছো। এই বিষয়ে আগতেওঁ আলোচনা হৈছিল তেতিয়াওঁ মই কৈছিলো, আজিওঁ মই কৈছো আৰু আগলৈকো কৈ থাকিম। কিন্তু আক্ষেপৰ কথা হল যে যি বিলাক ক্ৰটী আছে সেই বিলাক দুৰ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা যি দায়িত্ব বহন কৰিব লাগিছিল, চিন্তা বা চেষ্টা কৰিব লাগিছিল সেই বিষয়ে একো কৰা হোৱা নাই। মাননীয় সদস্য শ্ৰী ৰমেন দাস ডাঙৰীয়াই নথি পত্ৰ সহ সভাপতি মহোদয়ৰ ওচৰত দাখিল কৰিছে। কোনোবাই যদি কোনোবা বিষয়াৰ বিৰুদ্ধে কিবা অভিযোগ উংথাপন কৰে তেন্তে সেই বিলাকৰ কোনো হিচাব নহয়, কোনো বিচাৰ নহয় বা শেষত কোনো একচনো লোৱা নহয়। যি সকলে বনজ সম্পদ নষ্ট কৰিছে, যি সকলে অন্যায় আৰু অবৈধ্য ভাবে আমাৰ ৰাজ্যৰ গছ গছনি কাটি ধ্বংশ কৰিছে, অবৈধ্য ভাবে ঠিকাদাৰ সকলৰ লগত যোগাযোগ কৰি সা-সম্পদ নষ্ট কৰিছে সেই সকল বিষয়াৰ বিৰুদ্ধে কিবা অভিযোগ উৎথাপন কৰিলেও কোনো ধৰণৰ ব্যৱস্থা লোৱা নহয়।

উপাধ্যক্ষ মহোদয়, আজি সেইসকল বিষয়াই, ঠিকাদাৰে আজি অসমৰ বনজ সম্পদ ধ্বংস কৰিব ধৰিছে। আজি তেনে কিছুমান বিষয়াৰ বিৰুদ্ধে অভিযোগ অত্যন্ত গুৰুতৰ অভিযোগ উৎথাপন কৰাৰ পিচতো তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই। এতিয়া মই যদি আৰু এটা চেৰ গাওঁ চৰকাৰৰ ফালৰ পৰা আপত্তি আহিব। আপত্তি নাহে বুলি কৈছে যদিও পিচত আপত্তি কৰিলে অসুবিধা হব। এজন পাৰ্চী কবিয়ে গাইছিল (পাৰ্চীতে কবিতা গাই দিয়ে) অৰ্থাৎ এখন দেশত ৰজা আছিল মেকুৰী, মন্ত্ৰী আছিল কুকুৰ আৰু বিচাৰ পতি আছিল নিগনি। যিখন দেশৰ ৰজা মেকুৰী, মন্ত্ৰী কুকুৰ আৰু বিচাৰৰ পতি নিগনি সেই ৰাজ্য

ধ্বংস নহৈ কি হব ? মই আৰু বেছি ব্যাখ্যা কৰিবলৈ নাযাও । এতিয়া আমাৰ কথা হৈছে যে, আমাৰ এই ৰাজ্যখন ধ্বংস হৈছে, আমাৰ সম্পদৰাজী বিনষ্ট হৈছে । গতিকে আমাৰ মাজত যদি চেতনা নাহে জাগৰণ নাহে তেতিয়া একো কাম নহব । মই আগতেই কৈছো যে, আমাৰ ৰাজ্যখন, অসমৰ্থন প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি । এইটো কথা সকলোৱে স্বীকাৰ কৰিব লাগিব । ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰাজী আমি ৰক্ষা কৰিব লাগিব। এইটো বন বিভাগৰ দায়িত্বত থাকে । এইমাত্ৰ বন বিভাগৰ মন্ত্ৰী আহি উপস্থিত হৈছেহি । মই তেখেতক এটা প্ৰশ্ন কৰিব বিচাৰিছো, আৰু আশা কৰিছো যে, যেতিয়া তেখেতে নিজৰ বিবৃতি দাঙি ধৰিব তেতিয়া যাতে এই কথাটো উল্লেখ কৰে । প্ৰশ্নটো হল অসমত যিমান বিলাক কাঠৰ মিল আছে সেইবিলাকৰ মালিকবিলাকৰ কিমান সংখ্যক আমাৰ এ, জি, পিৰ সক্ৰিয় সদস্য হৈ আছে আৰু বছৰত সেই কাঠ মিলৰ মালিক সকলে কিমান টকা পাৰ্টিক বৰঙণি হিচাবে দিয়ে ? মই আগতেও এবাৰ কৈছিলো আৰু নাম বিলাক উল্লেখ কৰিছিলো । তেতিয়া বোধকৰো মুখ্য মন্ত্ৰী মহোদয় আছিল। এই মিল বিলাকে অসমৰ গছ কাটি শেষ কৰিছে । মালিক বিলাকে গছ কাটি নি নিজৰ খ'মিলত খইং কৰি বিক্ৰি কৰি আছে অবৈধ ভাবে । কিন্তু যিহেতুকে পাৰ্টিয়ে টকা বৰঙণি হিচাবে পায় গতিকে চকু নিদিয়ে । এতিয়া আমি নিজে নিজৰ সম্পদ ধ্বংস কৰিছো । নিজে দুৰ্নীতিক প্ৰশ্ৰয় দিছো । নিজে নিজৰ সৰ্বনাশ কৰিছো । তেনেস্থলত অসমৰ প্ৰাকৃতিক সম্পদৰাজী ৰক্ষা কৰা কঠিন হব । উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আৰু এটা কথা কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিম আজি আমাৰ বন্যপ্ৰাণী গড়, হত্যা কৰা হৈছে । এই চিকাৰ কাৰ্য্যত চোৰ ডকাইটো জৰিত আছে আৰু বিভাগীয় মানুহো জৰিত আছে । ধৰাও পৰিছে । প্ৰাক্তন বিধায়ক একজনৰ পাৰ্চনেল চিকিউৰিটি একজনে অলপতে ষ্টেনগান লৈ চিকাৰ কৰিবলৈ যাওঁতে ধৰা পৰিল । গতিকে দেখা যায় পুলিচ বিভাগো জৰিত আছে । আজি আমি অভয়াৰণ্য স্থাপন কৰিবলৈ লৈছো । কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ মন্ত্ৰালয়ে বোৱা বছৰ কৈছিল যে, ৯৬ খন ৰাষ্ট্ৰীয় উদ্যান স্থাপন কৰা হব, ১৩ খন অভয়াৰণ্য স্থাপন কৰা হব । তাৰ পিচত কোৱা হল যে ১৪৮ খন ৰাষ্ট্ৰীয় উদ্যান স্থাপন কৰা হব আৰু ৫০৩ খন অভয়াৰণ্য স্থাপন কৰিবলৈ লৈছে । কিন্তু কোনটো অংশ অসমে পাজে মন্ত্ৰী মহোদয়ে জনাব লাগে।

অভয়অৰণ্য এনেকুৱা বন যত বন্য প্ৰাণী বিলাক নিৰ্ভয়ে থাকিব পাৰে কোনো ভয় ভীতি নোহোৱাকৈ। আমাৰ অসমত অভয়াৰণ্য নাই। নামত আছে কামত নাই। কাৰণ আমি আজি অস্ত্ৰ শস্ত্ৰ লৈ বনত সোমাই চিকাৰ কৰি আছো। আৰু বন্য প্ৰাণী হত্যা কৰি আছো। বন্যপ্ৰাণী নিৰ্ভয়ে থাকিব পৰা নাই। আজিকালি হৰিণ দেখিবলৈ পোৱা নাযায়। ৰাজহাঁদত হৰিণ চাৰিওফালে ঘুৰি থাকে। ইয়াত বিচাৰি পাবলৈ নাই। যি হৰিণ হৰিণী ইমান প্ৰিয় জন্তু, যাৰ সৌন্দৰ্য্যৰ তুলনা নাই, যাৰ চকুৰ সৌন্দৰ্য্যৰ লগত প্ৰিয়তমাৰ চকুৰ তুলনা দিয়ে, আজি সেই হৰিণা অসমৰ হাবিত নোহোৱা হৈছে। বন বিভাগ খুলি এটা বিভাগ আছে, মন্ত্ৰী আছে, বিষয়া কৰ্মচাৰী আছে আজি তেখেত সকলৰ দায়িত্ব কি আৰু তেখেত সকলে দায়িত্ব পালন কৰিছেনে নাই? গতিকে উপাধ্যক্ষ মহোদয়, মই বেছি নকও, ইতিমধ্যে মাননীয় সদস্য সকলে বহুতো কথা কৈছে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

* শ্ৰীদেবেশ্বৰ বৰা: উপাধ্যক্ষ মহোদয়, আজি এই সদনত বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি মঞ্জুৰী বিচাৰিছে তাক মই সমৰ্থন জনাইছো। আৰু ১৯৮৮-৮৯ চনৰ পৰিকল্পনাৰ ওপৰত দুষাৰমান কথা কব বিচাৰিছো। স্বাধীনতাৰ পিচৰ পৰা আমি দেখা পাইছিলো যে বন বিভাগটো ৰাজহ বিভাগৰ এটা চৰিত্ৰ আছিল। এই চৰিত্ৰ নাইকিয়া কৰি বনৰ নামত ধন আত্মসাৎ কৰি এটা ধন পৰিভৰ বিভাগলৈ ৰূপান্তৰিত হৈছে। এই কাৰণেই কোৱা হৈছে যে ইয়াৰ পৰা ৰাজহ কেনেকৈ সংগ্ৰহ কৰিব পৰা যায় তাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছিল। কিন্তু কিছু দিনৰ পৰা দেখা পাইছো যে ৰাজহ বিভাগৰ পৰিবৰ্ত্তে সমাজ উন্নয়ন বিভাগ, বন বিভাগলৈ ৰূপান্তৰিত হৈছে। আৰু এই বাজেটত বিশেষভাৱে দেখা পাইছো যে যিখিনি টকা খৰচ কৰিব তাৰে শতকৰা ৩০ ভাগ ৰাজহ হিচাবে বন বিভাগে এই বাৰ পাব। কাৰণ ইতিমধ্যে দেখা পাইছো যে দিনক দিনে বন বিভাগৰ ৰাজহ পৰিমাণ কমি আহিছে। আৰু এচটাবলিচমেণ্ট কষ্টত আমি দিনক দিনে খৰচৰ পৰিমাণ কমি আহিছে। দেখা পাইছো শতকৰা ৪৫ ভাগ টকা তাত খৰচ কৰা হব। কিন্তু বন সম্পদ বক্ষা কৰা বা ইত্যাদি কথা বিলাক আমি দেখা নাই। আমি এই পৰিকল্পনাত বিশেষকৈ দেখা পাইছো যে আমাৰ বন সম্পদ, বন্য প্ৰাণী ৰক্ষা কৰাৰ কাৰণে

* Speech not Corrected.

একো ধৰণৰ আবণ্টনৰ ব্যৱস্থা কৰা হোৱা নাই। এই আবণ্টনৰ ভিতৰত বেছি ভাগ প্ৰশাসনীক ব্যয় কৰা দেখা পাইছে। মই প্ৰথমে মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে গড় সংৰক্ষণৰ নামত ১,৩৯ লাখ টকা ইয়াত ধাৰ্য্য কৰা হৈছে। এতিয়া ১৯৮৮-৮৯ পৰিকল্পনাত আমি জনাত ভাৰত চৰকাৰে ১ কোটি টকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ৰক্ষাৰ বাবে টকা আগবঢ়াইছিল। দূৰ্ভাগ্যবশতঃ বাস্তবি কাকতত দেখা পাইছো যে অসম চৰকাৰে মাত্ৰ ২৭ লাখ টকা খৰচ কৰি বাকী খিনি টকা তেওঁলোকক ইতিমধ্যে চাৰেণ্ডাৰ কৰিছে। আমি সেইটো খবৰ বাতৰি কাকতৰ যোগেদি পাইছো। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰত ইতিমধ্যে আমি বহুবাৰ আলোচনা বিলোচনা কৰিছো। আৰু ইয়াক কেনেকৈ ৰক্ষা কৰিব পাৰি কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰা হৈছে টকা নিদিয়াৰ কাৰণে। কিন্তু আজি টকা দিয়াৰ পিছত এনেয়ে টক ঘুৰি গৈছে নেকি? এইটো মোৰ প্ৰথম প্ৰশ্ন। তাৰ পিছত আৰু এটা কথা কব বিচাৰিছো য বন বিভাগৰ ওপৰত আমাৰ অডিটৰ জেনেৰেলে বহুতো ৰিমাৰ্ক দি আছিছে। ১৯৮৬ ৮৭ চনৰ ৰিপোৰ্টৰ পৰা আমি কিছু কথা কব বিচাৰিছো যে এই বন বিভাগটো ধন আত্মসাৎ কৰা বিভাগলৈ ৰূপান্তৰিত হৈছে। এই কাৰণেই মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে আৰু শাসকীয় দলৰ সদস্য সকলে বিভিন্ন ধৰণে সমালোচনা কৰিছে। আজি তেখেতসকলে যিবিলাক পৰামৰ্শ দিছে সেইবিলাক কাৰ্য্যকৰী কৰেনে নকৰে সেইটো হে আচল কথা! মাননীয় সদস্য শ্ৰীকামাখ্যাচৰণ চৌধুৰীদেৱে কৈছে যে বনাঞ্চলৰ ক্ষেত্ৰত লীজমনি বাঢ়িছে। কিন্তু এই প্ৰতিবেদনত কৈছে ৰিমাৰ্ক দিছে যে ২'৫০ পইচাত হৈ আছে। কিন্তু এতিয়া দেখা পাইছো যে ৩০ বছৰৰ কাৰণে লিজত দিছে। দেখা গৈছে কিছুমান বিভাগত প্ৰম্পট একচন লোৱা নহয়। য'ত নেকি ৰেভিনিউ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এটা সমস্যা সৃষ্টি হৈছে। ভৱিষ্যতে ঠিকাদাৰ সকলক যাতে আনডিউ দিয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। ৰয়েলিটিৰ ক্ষেত্ৰটো আমি কম সংগ্ৰহ কৰিছো। আমি দেখা পাইছো যে চৰকাৰে চেণ্ড আৰু বলডাৰৰ ক্ষেত্ৰত ৮ টকাৰ পৰা ১৬ টকা এতিয়া ৭০ টকা কৰিছে। যিবিলাক মহলদাৰে মহল লিজত লৈছে তেওঁলোকৰ ৰেট বঢ়োৱা নাই। ফলত মহলদাৰ সকলে সুযোগ পাব আৰু চৰকাৰে ৰাজহ সংগ্ৰহ কৰিব নোৱাৰিব। তাৰ পিছত প্ৰতিবেদনত আমি দেখা পাইছো য No proper system or procedure was followed for the maintenance of accounts.

